(খ)—এই গাওঁখন নন্-কেডেষ্ট্ৰেল হৈ থকা হেতু ইয়াৰ জৰীপৰ মেপ নাই। ১৯৬৭ চনৰ পুনৰবন্দৰস্ত জৰীপৰ সময়ত এই গাওঁৰ কেডেষ্ট্ৰেল জৰীপ কৰা হৈছে। ইয়াৰ পাচত মেপ তৈয়াৰ কৰা হব।

## Re: Total amount distributed on Test Relief works

Shri Narendra Nath Sarma asked :

*168. Will the Minister-in-charge of Revenue be pleased to state—

(a) The Total amount distributed on Test Relief works throughout the State of assam since last flood ? (A list showing the break-up of the amount may be placed on the Library Table Subdivisionwise).

(b) Whether it is a fact that the flood-striken Development Blocks [i. e., Golaghat (i) North, (ii) Central, (iii) West] submitted plans estimates of

Test Relief Schemes direct to the Subdivisional Officer, Golaghat and if so, what are the estimates block-wise ?

(c) Whether it is a fact that Government did not sanction the amounts as per estimates to Golaghat Subdivision even to the very badly flood hit areas such as Ahotguri, Missamora, Dergan and Rongamati ?

(d) Whether Government propose to reconsider and increase the amounts considering the condition of the flood hit people of the areas concerned ?

Shri Mahendra Mohan Choudhury (Minister, Revenue) replied :

168. (a)—Rupees 15,44,978 (i. e., Rs. 8,40,978 for "General Areas" and Rs. 7,04,000 for "Sixth Schedule Areas").

A list showing the Subdivision-wise break-up of the amount sanctioned, is placed in the table of the House.

(b)—Yes. The Block-wise estimates of Test Relief Schemes received by the Subdivisional Officer, Golaghat are shown in the list placed on the Table of the House.

(c)—The Subdivisional Officer, Golaghat submitted a proposal to Government for sanction of Rs. 2,39,905 for execution of 46 numbers of Project Schemes within Golaghat—(i) North, (ii) Central and (iii) West Blocks but due to stringent financial condition of the State, an amount of Rs. 14,500 only was sanctioned by Government for execution of productive Test Relief Schemes in the flood-affected areas of the Subdivision. The Blockwise allotment of the amount of Rs. 14,500 is shown in Appendix 'C' of the list placed on the table of the House.

(d)—No. In view of the good harvest of winter, it is felt that there is no need to sanction further funds for Test Relief works.

Shri Narendra Nath Sarma : What is the basis of sanctioning the test relief work ?

Shri Mahendra Mohan Choudhury : When there is a distressd condition prevailing in certain areas and when the people of those areas do not get any scope for employment, then in order to give the people some relief, the test relief schemes are sanctioned.

Shri Narendra Nath Sarma : গোলাঘাটৰ পৰা যিবিলাক আঁচনি

দিয়া হৈছে সেই Scheme বিলাক যত ধান হোৱা নাই সেই-বিলাক Area ত যি ধৰণে Report ত আছে সেই ধৰণেই Test Relief দিয়া হৈছে নেকি ?

Shri Mahendra Mohan Choudhury : যিবিলাক Report দিয়া হয় তাৰপৰা খবৰ পায়েই Test Relief দিয়া হয়। অৱশ্যে তাতো কিছুমান অসোৱাহ থাকিব পাৰে, কিন্তু মাননীয় সদস্য-সকলে যদি সেই আসোৱাহবিলাক আঙুলীয়াই দিয়ে তেন্তে সেইটো শুধৰায়ো সেইমতে দিয়া হয়।

Shri Narendra Nath Sarma : যিবিলাক ঠাইৰ মানুহে Test Relief পাইছে সেইবিলাক প্ৰকৃততে গড়াখহনীয়া Area ৰ মানুহ হয়নে নহয় ? আৰু প্ৰকৃততে গড়াখহনীয়া হোৱা লোকসকলে Test Relief পাইছে নে নাই ?

Shri Mehendra Mohan Choudhury : সেইবিলাক গৰাখহনীয়া হয় নে নহয় কব নোৱাৰো কিন্তু সেই অঞ্চলত যিবিলাক Scheme দিয়া হৈছে সেইবিলাক Area ৰ মানুহৰ সঁচাকৈয়ে খোৱা লোৱাৰ বৰ অসুবিধা হৈছে। সেইকাৰণে যিবিলাকৰ কাৰণে Productive schame দিছে সেইবিলাকত Test Relief মঞ্জুৰ কৰা হৈছে। অৱশ্যে গোলাঘাটত যিবিলাক টকা পাব লাগিছিল কিন্তু সেই প্ৰবিমানে টকা পোৱা নাই।

Shri Norendra Nath Sarma : তেনেহলে প্ৰকৃত scheme যদি পোৱা হয়, সেইমতে বিবেচনা কৰা হব পাৰে ?

Shri Atul Chandra Goswami : গড়াখহনীয়া মানুহ নো কাক বোলে ?

Shri Mahendra Mohan Choudhury : নদীত যেতিয়া গড়াখহনীয়া হয় সেই নদীত খেতি-বাতি মাটি যিসকল মানুহৰ ধ্বংস হয় সেই সকলোকে গড়াখহনীয়া মানুহ বোলে ।

Shri Kabir Chandra Roy Prodhani : সাধাৰণতে Test Relief কাৰ জড়ীয়তে দিয়া হয় ?

Shri Mahendra Mohan Choudhury : এইবিলাক টকা আগেতে D. C. আৰু S. D. O. ৰ জৰিয়তে দিয়া হৈছিল আজিকালি সেইবিলাক B. D. O. ৰ জৰিয়তে কৰা হয় ।

Shri Bhubaneswar Barman : উপাধ্যক্ষ মহোদয়, চৰৰ মাজত গৈ যদি ঘৰ বন্ধোৱা হয় আৰু যদি বাৰিষা নদীয়ে সেইবিলাক ভাঙি লৈ যায় সেইবিলাকক গড়াখহনীয়া বুলিব পাৰিবনে নোৱাৰি ? সেই সকলৰ কাৰণেও চৰকাৰে ব্যৱস্থা কৰিছে নেকি ? সেইকথা আমাক স্পষ্টকৈ কব লাগে । সেইটোকেই যদি হয় চৰত ঘৰ বান্ধিবলৈ আমি উচতাই দিব পাৰিম ।

( No Reply ) :

Shri Narendra Nath Sarma : আঁহতগুৰি অঞ্চলত যি Scheme দিয়া হৈছে তাত মানুহৰ দুখ দুৰ্দ্দশা দূৰিকৰণৰ কাৰণে, গতিকে অনুসন্ধান কৰি Test Relief দিব নোৱাৰিবনে ?

Shri Mohendra Mohan Choudhury : আঁহতগুৰি অঞ্চলত ব্যাপক ভাবে গৰাখহনীয়া হোৱাটো সঁচা, যদি তেনেকুৱা সহায়ৰ কাৰণে কোনো আঁচনি sub-divisinal Office ৰ পৰা আহে সেই-বিলাক পুনৰ বিবেচনা কৰা হব ।

Shri Debeswar Sarmah : বিহু ফাকুৰা আদি পাতিবলৈ পইচা খুজিব নোৱাৰি নেকি ?

Shri Bimala Prasad Chaliha ( Chief Minister ) : নোৱাৰি, অনুমতি নোলোৱাকৈ ।

## UNSTARRED QUESTIONS

(To which answers were laid on the table)

### Re : Paper Pulp from Jute Stricks

M. Shamsul Huda asked :

93. Will the Minister, Industries be pleased to state—

(a) Whether the Government is aware of the fact that paper pulp can be made out of jute sticks (Marathari) and straws of paddy (Mara)

(b) If so, whether establishment of industries of such paper pulp is feasible in Assam ?

(c) Number of such paper pulpmaking mills feasible in the State ?

(d) Whether the Government propose to take steps to establish this type of mills ?

(e) If so, when ?

(f) What will be the estimated cost of such a mill ?

Shri Biswadev Sarma (Minister of Industries ) replied :

93: (a)—Yes.

(b) –No.

(c) – Does not arise.

(b)—If the economic viability of such a mill is established, Government will take steps for establishment of the mill.

(e)—Does not arise in view of (d) above.

(f) - Does not arise at this stage.

## Re : Damage of Crops by Draught at Sarupather

শ্ৰীসোনেশ্বৰ বৰাই সুধিছে ঃ

৯৪। মাননীয় কৃষি উপমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) গোলাঘাট মহকুমাৰ সৰুপথাৰ অঞ্চলত এই বছৰ কিমান খেতিৰ শস্য খৰাং বতৰৰ কাৰণে নষ্ট হ'ল ?

(খ) যদি জানে, এই নষ্ট হোৱা শস্যৰ মুঠ পৰিমান কিমান ?

(গ) এনেকৈ প্ৰতি বছৰে পানীৰ অভাৱত খেতি নষ্ট হোৱাৰ পৰা সৰু পথাৰৰ ৰাইজক উদ্ধাৰ কৰিব পৰা ব্যৱস্থা চৰকাৰৰ কিবা আছেনে ?

(ঘ) যদি আছে, এই ব্যৱস্থা কাৰ্য্যকৰী কৰি সৰুপথাৰৰ পানী নোহোৱা পথাৰ সমূহত পানী যোগানৰ ব্যৱস্থা কৰিবনে ?

(ঙ) যদি কৰে, কেতিয়াৰ পৰা কৰিব ?

কৃষি উপমন্ত্ৰী শ্ৰীদণ্ডীৰাম দত্তই উত্তৰ দিছে :

৯৪। (ক)—প্ৰায় ১,৫০০ একৰ শালি খেতি নষ্ট হ'ল।

(খ)—ইয়াৰ পৰিমাণ প্ৰায় ২৪,৪৩৩ মোন বুলি ধৰা হৈছে।

(গ)—সেই অঞ্চলত ক্ষুদ্ৰ জলসিঞ্চন আঁচনিৰ দ্বাৰা পানী যোগানৰ বিষয়টি চৰকাৰে বিবেচনা কৰি আছে।

(ঘ)—অসম বাননিয়ন্ত্ৰণ আৰু জলসিঞ্চন বিভাগে "চোট চেৰিয়াজান জল-সিঞ্চন আঁচনি" নামৰ কাৰ্য্যসূচী এখন এই উদ্দেশ্যে হাতত লৈছে। ইয়াৰ অনুমানিক ব্যয় ৫,৩৮,০০০ টকা। ইয়াৰ দ্বাৰা পথাৰত পানী যোগানৰ সুবিধা হৈ পৰিব।

(ঙ)—এই আঁচনি খন বান নিয়ন্ত্ৰণ আৰু জলসিঞ্চন বিভাগৰ ডিব্ৰুগড়ত থকা চুপাৰিণটেনডিং ইঞ্জীনিয়াৰে পৰীক্ষা কৰি আছে। আঁচনিখন অনুমোদন আৰু বিত্তীয় অনুমতি পালেই কাৰ্য্যকৰী কামত ধৰা হব।

**Re : Business Transaction of Sub-Treasuries**

Shri Prabhat Narayan Choudhury asked :

95. Will the Minister, Finance be pleased to state what is the volume of different types of business transacted in the Nalbari, Barpeta, Goalpara, Mangaldoi and Hailakandi Sub-Treasuries during the years 1965, 1966 and 1967? (to be shown saparately for each Sub-Treasuries)

Shri Kamakhya Prasad Tripathi (Finance Minister) replied :

95.

Nalbari Sub-Treasury

| | 1965 | 1966 | 1967 |
|---|---|---|---|
| 1. No of challan... | 12,933 | 13,169 | 14,390 |
| 2. No. of bills ... | 16,734 | 18,694 | 22,721 |
| 3. No. of letters received. | 3,201 | 3,504 | 4,312 |
| 4. No. of letters issued. | 703 | 875 | 1,005 |

Barpeta Treasury

| | 1965 | 1966 | 1967 |
|---|---|---|---|
| 1. No. of challans... | 23,660 | 19,165 | 22,905 |
| 2. No. of bills ... | 24,400 | 26,527 | 32,805 |
| 3. No. of letters received. | 4,021 | 1,274 | 3,918 |
| 4. No. of letters issued. | 830 | 1,113 | 971 |

Goalpara Sub-Treasury

| | 1965 | 1966 | 1967 |
|---|---|---|---|
| 1. No. of challans | 14,645 | 11,317 | 12,224 |
| 2. No. of bills ... | 30,758 | 25,136 | 25,271 |
| 3. No. of letters received. | 2,805 | 2,974 | 3 044 |
| 4. No of letters issued | 1,394 | 1,377 | 1,328 |

Mangaldoi Sub-Treasury

| | 1965 | 1966 | 1967 |
|---|---|---|---|
| 1. No. of challans | 16,656 | 20,716 | 21,429 |
| 2, No. of bills .... | 21,927 | 19,490 | 24 897 |
| 3, No. of letters received. | 1.063 | 1,290 | 1,151 |
| 4. No. of letters issued. | 1,296 | 1 202 | 1,394 |

Hailakandi Sub-Treasury

| | 1965 | 1966 | 1967 |
|---|---|---|---|
| 1. No. of challans | 10,691 | 12,665 | 11,628 |
| 2. No. of bills .... | 12,612 | 11,608 | 12,516 |
| 3 No. of letters received. | 1,695 | 1,780 | 1,804 |
| 4. No. of leters issued. | 1,146 | 1,193 | 1,206 |

**Re: T. B. Ward at Golaghat Civil Hospital**

শ্ৰীসোনেশ্বৰ বৰাই সুধিছে :

৯৬। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) গোলাঘাট নগৰৰ গোলাঘাট চিভিল হস্পিতেল খনৰ টি, বি, ৰোগীৰ চিকিৎসাৰ কাৰণে টি, বি ওৱাৰ্ড নিৰ্মাণ কৰা কথা চৰকাৰে জানেনে ?

(খ) এই ওৱাৰ্ডটোত সৰ্ব্বমুঠ কিমানজন ৰোগীৰ বিছনা আছে ?

(গ) গোলাঘাট চিভিল হস্পিতেলৰ টি, বি, চিকিৎসাৰ কাৰণে আৱশ্যকীয় সকলো যন্ত্ৰপাতি আছেনে ?

(ঘ) যদি নাই, কিয় নাই আৰু ব্যৱহাৰ সময়ত সেই যন্ত্ৰবোৰ ক'ৰ পৰা অনা হয় ?

(ঙ) গোলাঘাট চিভিল হস্পিতেলত টি, বি, ৰোগী কেইজন চিকিৎসকে চিকিৎসা কৰে ?

স্বাস্থ্যমন্ত্ৰী শ্ৰীছত্ৰসিং টেৰণে উত্তৰ দিছে :

৯৬। (ক)—হয়।

(খ)—বৰ্তমান ছয়খন বিছনাৰ ব্যৱস্থা হৈছে।

(গ) (ঘ) আৰু (ঙ)—যেতিয়া টি, বি, ওৱাৰ্ড খোলা হব তেতিয়া ডাক্তৰ আৰু যন্ত্ৰপাতি যোগাৰ দিয়া হব।

## Re : Flood-affected Area of Saragua G/P Palengi and Sarupalengi G/P

Shri Durgeswar Saikia asked :

97. Will the Minister, Revenue be pleased to state—

(a) Whether it is a fact that the Saragua G/P, Palengi and Sarupalengi G/Ps under Thowra mouza of Sibsagar Subdivision were submerged by floods of the Brahmaputra due to breach of Dhaiali and Demow bund during the last monsoons ?

(b) Whether it is a fact that since June 1968 to September last the area was under water ?

(c) Whether it is a fact that the production of crops this year was below 40 per cent of last year's production ?

(d) Whether Government propose to grant remission of land revenue and give Test Relief in the area ?

Shri Mahendra Mohan Choudhury (Minister, Revenue) replied :

97. (a) - Yes.

(b)—No.

(c) - Only in certain low-lying pockets the production of crops was affected to the extent of 30 to 40 percent of the normal yield.

(d)—At present there is no proposal before Gover-nment regarding remission of revenue. Government not propose to sanction any Test Relief Scheme in view of the good winter harvest.

**Re : Outstanding Agricultural income Tax**

Shri Phani Bora asked :

98. Will the Minister, Finance be pleased to state—

(a) How much agricultural income-tax is outstanding against each tea-estate under Brahmaputra Tea Company and how the Government propose to realise the revenue ?

(b) How much agricultural incometax is outstanding against Chingoor Khorod and Chinkuri tea-estates and how the Government propose to realise the revenue ?

Shri Kamakhya Prasad Tripathi ( Finance Minister ) replied :

98. (a) The agricultural incometax is assessed for the entire Tea Company as a whole and not separately for each individual garden. As such, in the case of Brahmaputra Tea Company also there was assessment on the Tea Company and not separa

tely against individual tea gardens. The amount of tax outstanding against the Company is Rs. 16,08,626.

Arrears certificates were sent to the Collectors of Jorhat for realisation of the amount by distress but in the meantime the Company went in to liquidation. The Hon. High Court of Calcutta appointed a Receiver. The Collector of Jorhat sent the arrears certificates to the Collector of 24 Parganas, Calcutta and the department appointed Solicitor at Calcutta to persue the matter. The matter is still pending before the official Receiver and no realisation has been effected.

(b)—The Khoreel Tea Estate is a constituent Tea Estate of a Company which owns both the Khoreel Tea Estate and the Kallinagger Tea Estates. As such, there was combined assessment on the two Estates. There is no arrear due against the two Estates till 1964-65. The assessments since 1965-66 are pending owing to non-receipt of returns and certified copies of assessment of Central Income Tax.

The Chingoor is a constituent Tea Estate of M/S Brai and Chingoor Tea Estate Ltd. The Company was assessed as a whole. There is no arrear due till 1964-65. Assessments from 1965-66

are pending for non-receipt of certified copies of the assessment of the Central Income Tax.

There is no outstanding against Chincoorie Tea Estate till 1954-55. Assessments from 1955-56 are pending owing to the transfer of ownership of the concern and non-receipt of returns and certified copies of the assessment of the Central Income Tax.

The amounts to be assessed in future will be realised in the usual process.

Re: Acute Scarcity of Water in Shillong

Shrimati Rani Manjula Devi: Sir, with regard to the question raised by Shri Debeswar Sarma yesterday with regard to the scarcity of water in Shillong, I would like to draw the attention of the Chief Minister to his statement on the floor of this House in answer to my Calling Attention Notice last Budget Session assuring the House to solve this water problem by implementing the Umtyngar scheme. I am reading the relevant portion of his long statement:

"The Government are aware of the problem. With a view to sufficiently augmenting the availa-

bility of water, the Public Health Engineering Department is praparing plans and estimates for taking up of the Umtyngar scheme ( at a distance of 14 miles from Shillong ). The plans and estimates are likely to be ready within a few month time and the work will be taken up at the earli est. The scheme is based on tapping of perennial springs and the estimated cost will be in the neighbourhood of rupees one crore and twenty lakhs. The questiom of acquisition of the Green Blocks with a view to their preservation is also being considered. The Fire Brigade authorities have also been requested to allow their vehicles for use in carrying water to distribute to the citizens in times of emergency as and when requested by the Municipal Board.

As already indicated, the problem of water supply in Shillong is very difficult and becomes acute during the dry season. Government are seized of the problem and propose to take long term measures such as the execution of the Umtyngar scheme, acquisition of land in the Green Blocks. It is expected that with the implementation of these measures, the problem will be solved."

Sir, I would like to know what steps are taken during this one year with regard to his

assurance to the House to solve the problem of water supply to the capital of Assam ?

Shri Bimala Prasad Chaliha (Chief Minister) : Sir, I require some time to collect some information to apprise the House of the latest position about the Umtyngar Water Supply Project.

## Calling Attention to A matter of urgent Public Importance—High Price of Petroleum in Assam

*Shri Govenda Kalita : I beg to call the attention of the Chief Minister Under Rule 54 of the Rules of Procedure and Conduct of Business in the Assam Legislative Assembly to the News item published in "Dainik Assam" dated 21st January, 1969 under the headline "অসমতে দাম বেচি"

Sir, সংবাদটো এই দৰে আছে---

'গুৱাহাটী তেল শোধনাগাৰত বাৰ্ষিক এক লাখ মেট্ৰিক টন প্ৰজ্বালক তেল উৎপাদন হয় যদিও অসমত এই তেলৰ মুল্য ভাৰতৰ অনান্য ঠাইৰ মুল্যতকৈ বহুত বেচি।

অসমত বিশেষকৈ গুৱাহাটীত প্ৰতি মেট্ৰিক টন প্ৰজ্বালক তেলৰ মুল্য ২৫২ টকা। কলিকতা আৰু বোম্বাইত ইয়াৰ মূল্য প্ৰতি মেট্ৰিক টনত ক্ৰমে ১৯২ টকা আৰু ১৫৮ টকা।

*Speech not corrected

... অসমতে উৎপাদন হোৱা প্ৰজ্বলক তেলৰ মূল্য আন ঠাইৰ তুলনাত অতিপাত বেচি হোৱাৰ কাৰণে প্ৰজ্বালক তেল ব্যৱহাৰ কৰা অসমৰ মুষ্টিমেয় উদ্যোগ প্ৰতিস্থান কেইটাই যথেষ্ট ক্ষতি স্বীকাৰ কৰিব লগীয়া হৈছে। এনেকৈ অসম হাৰ্ড বোৰ্ড কোম্পানীটোৱে যথেষ্ট ক্ষতি স্বীকাৰ কৰি পিচত কাম বন্ধ কৰিব লগীয়া হৈছে। কাম বন্ধ হোৱাৰ ফলত তাত কাম কৰা প্ৰায় সাতশ কৰ্ম্মী নিবনুৱা সমস্যাৰ সন্মুখীন হোৱা বুলি গম পোৱা গৈছে" মহোদয়, আমাৰ অসমতেই তৈয়াৰ হোৱা তেলৰ দাম আমাৰ অসমতেই অতি বেচি আৰু তাৰ ফলত আমাৰ অৰ্থৰ ক্ষতি হৈছে। আৰু শিল্প সমূহতো যথেষ্ট ক্ষতি হৈছে। গতিকে অসমতে উৎপন্ন হোৱাৰ তেলৰ দাম অসমতে বেচি হোৱাৰ কাৰণ কি এই কথাটো আমাৰ ৰাজ্যিক চৰকাৰে চিন্তা কৰিছে নে? এই কথাটো জানিবৰ কাৰণে মই মুখ্যমন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিছো।

Shri Biswadev Sarma, (Minister, Industries):

Sir, "Petroleum products refined in Assam are not only sufficient for Assam but also sufficient for meeting the needs of the neighbouring areas of the Indian Union. All these products are processed from the crude produced in the State itself. But inspite of all that, admittedly, the prices of furnce oil and other oil products in Assam are the highest in India. This irrational position has come about by fixation of petroleum price with no regard to the cost of production but has been based on certain notional pricing formula.

As the Honourable Members are aware, India is not selfsufficient in oil and a large quantity has to be imported from Parsian Gulf areas. The landed cost for these oil products brought from Parsian Gulf areas, say Abadan, is calculated at the various ports in India by taking the cost of crude at Abadan plus the freight and insurance from Abadan to the various ports in India of oil vary from port to port in India and the wharfage charges in the respectivs ports. It will therefore be seen that the price depending on the distance from Abadan to these ports plus the difference in wharfage charge, etc, Okha and Bombay being nearer to Abadan, the freight charges thereto are lower than the freight charges to Calcutta which is the farthest port in India from Abadan. The wharfage charge in Calcutta are higher than those of the Bombay port. Compared to Bombay transport charge to Calcutta is higher by Rs. 5.10 and the wharfage charge in Calcutta is higher by Rs. 21.33 compared to Okha and Rs. 5.90 compared to Bombay. It will, therefore, be seen that the landed cost of oil products in Calcutta port is the highest compared to the landed cost of similar products in other ports in India. Under the operation of the Import Parity Formula, all petroleum products into Assam are

suspposed to be coming as landed notionally in Calcutta port. That means, although Assam itself produces its own requirement of petroleum products from the crude produced writhin the State itself, these are supposed to be coming as landed notionally in the Calcutta port under the present Import Parity Formula. Before 15th October, 1957, the prices of oil products in various consuming centres in Assam were fixeed by taking into account the transport cost from Calcutta to these consuming centres. But after 15th October 1957, on receipt of representations from the State Govt., Calcutta was transplanted to Tinsukia-Digboi. That means, this transport cost from Calcutta to various consuming centres in Assam was dropped and Digboi-Tinsukia prices of oil products were equated to the Calcutta prices.

3. Under the present arrangement, prices of oil products, except motor spirit and kerosene, for which there are pool prices throught Assam, are fixed by taking into account the transport cost of these commodities from Tinsukia-Digboi to the various consuming centres in Assam. State Govt. has represented to Govt. of India to declare Gauhati also as a pricing point as has been done in the case of Digboi-Tinsukia.

4. From the above it will be apparent that the price of furnace oil in Assam is the highest in India. The price of furnace oil per tonne comes to Rs. 180 at Bombay, Rs. 202 in Calcutta, whereas at Gouhati it comes to Rs. 225.

5. This high price of furnace oil has adversely affected the industries which use furnace oil in Assam has to some extent adversely affected the economy of the Hardboard factory, this is not the only reason for its closure. The other factors which adversely affected the working of the Hardboard factory were the disadvantageous railway freight, the rate of royalty for the raw materials used in the factory, the sales tax, etc. These factors which have adversely affected the economy of the factory had been studied by the I. F. C. and as per report of the I. F. C., the State Govt. and the concerned authorities are taking appropriate steps for revival of the project. In this connection, I may inform the Hon'ble Members of this House that Government have submitted a memorandum to the Santilal Shah Committee set up by Govt. of India to look into the question of oil pricing Formula and a copy of the memorandum submitted by the Government to that Committee is placed on the table of the House for information of the Hon'ble Members of this House.

Shri Debeswar Sarmah : Sir, of course, there can be no discussion on this point but may we know what steps really apart from submitting one or two petitions, Government of Assam are taking against this outrageously increasing of price because we produce crude, we produce refined oil ? Are they going on their knees to the Govt. of India....... ( interruption )

Shri Biswadev Sarmah : Sir, I take strong exception to the hon'ble Member's saying that we are going on knees to the Govt. of India.......I don't like that this kind of word should be used in the House.

Shri Debeswar Sarmah : You may not like it but this is a fact. We in Assam produce refined oil and inspite of that we are suffering badly. Our industries are suffering. I do repeat that we go on knees to the Govt. of India.

Shri Biswadev Sarmah : This is absolutely wrong, Sir, I don't accept it. Why he should use such language ?

Shri Debeswar Sarmah : This is appropriate language. Therefore, I have used it.

Mr. Deputy Speaker : I have already requested hon.members to be moderate in choosing words.

## Further Information on Starred Question No. 142 replied on 12th March 1969 re : Board of Management of Gauhati wholesale Society.

Shri Lakshmi Prasad Goswami (Minister, Cc-operation) : Yesterday some hon.members wanted to have some information regarding Sahayika in course of a question put by Shri Narendra Nath Sarmah. The information is as follows ?

"The whole position of the Sahayika has since been reviewed and steps have been taken to re-organise the affairs of the Institution. The house rent has been reduced from Rs. 6,000/— to Rs. 4,500/— P. M. and more savings have been affected by re-grouping the sections and reducing the staff to reasonable extend. It appears that the loss is being decreased gradually, as the loss during the year 1967-68 ( i. e. 14.7.67. to 30.6.68 ) was Rs. 3, 10,037·88P but during the next half year ( 1.7.68 to 31.12.63 ) the loss was Rs. 1,03,733·67 Paise only, i.e.,

the loss incurred by the Sahayika is comparatively decreasing on the other hand from the Statement below monthly sales and expenditure from July, 1968 to January, 1969 it is revealed that the monthly expenditure is reducing.

The Sahayika used to procure articles previously direct from the Farms concerned, but now since March, 1969, it will get the same through the Gauhati Wholesale Society, threby it will be relieved from certain amount of contin-gency expenditure on transit charges etc. Since the introduction of procuring articles by Sahayika above, centralised accounts and books are being maintained for both the Wholesale society and the Sahryika for the articles procured by the Sahayika. Previously the Sahayika had to maintain accounts books for the articles procured independently. But now, partly the Wholesale also will have to employ some Accountants and thereby the Sahayika will be able to reduce the posts of some Accountants, which indicates some savings of Sahayika. Overall position of the Sahayika appearing to be improving.

## STATEMENT OF MONTHLY SALES AND EXPENDITURE OF SAHAYIKA

| | Sales | Expenditure |
|---|---|---|
| July 1968 | 1,91,692.54 | 20,826 28 |
| Aug „ 68 | 1,45,608.40 | 20,288.09 |
| Sept. „ 68 | 2,70,203.93 | 26,285.72 |
| Oct. „ 68 | 1,55,727.87 | 25,645.15 |
| Nov. „ 68 | 1,87,677.97 | 25,232.50 |
| Dec. „ 68 | 1,49,145.28 | 49,291.14 |

## General Discussion of the Budget

*Dr Surendra Nath Das : মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় বিত্তমন্ত্ৰী মহোদয়ে বাজেট বক্তৃতাৰ জৰিয়তে আমাৰ সদৌ ৰাইজক, অসমৰ অৰ্থনৈতিক ক্ষেত্ৰত সহযোগ কৰিবলৈ আহ্বান কৰিছে। মই এই সুযোগতে মাননীয় বিত্তমন্ত্ৰী মহোদয়ক আৰু চৰকাৰক তেখেতসকলৰ কাম আৰু কৰ্তব্য পালন কৰিবলৈ আহ্বান জনাও। কাৰণ আমি যোৱা কেইবছৰৰ Audit report Public Accounts Committee Report, Estimates Committee Report পঢ়ি দেখিবলৈ পাইছো যে আমাৰ বহুত টকা আত্মষ্যাৎ হৈছে আৰু অপব্যৱহাৰ হৈছে। এইবিলাক ৰোধ কৰিবলৈ কোনো ব্যৱস্থাৰ কথা বাজেট বক্তৃতাত দেখিবলৈ পোৱা নাই। উদাহৰণ স্বৰূপে মই প্ৰত্যেক বিভাগৰ কথা কব পাৰো কিন্তু সময় নোহোৱাৰ বাবে বেচি কথা কব নোৱাৰিম কিন্তু আমাৰ গৰ্মেণ্টৰ বিষয়ে

*Speech not corrected

আলোচনা কৰিবলৈ গলে মই Publicity বিভাগৰ কথা কব পাৰো। আমি ১৯৬৮ চনৰ Audit Report ৰ page No. 44 পাইছো।

"In paragraph 51 of the Audit Report, 1965, mentioned was made of overstocking of radio sets procured by the State Government (during April, 1957 to March 1961) through the Government of India for installation of community receiver sets in rural areas. 36 radio sets (valued at Rs. 0.07 lakh) purchased in December, 1960 were lying unused at the end of October, 1966"

Shri Mahendra Mohan Choudhury : (Minister Parliamentary Affairs): Sir, general convention of the House is that hon. members should not discuss the Audit Report as it is. Audit Report comes up for discussion when the public Accounts Committee's reports is discussed in the House.

Shri Giasuddin Ahmed : But the fact remains that the Audit Report may be referred to in their speeches by the Hon'ble Members.

Shri Dulal Chandra Barua : There is no hard and fast rule about this.

Shri Mahendra Mohan Choudhury : In the Audit Report there are so many objections against which explanations are to be taken from the Department concerned and the Public Accounts Committee which is a very powerful Committee of this House gose into all these explanations and then come to a decision and give its findings. This is the general convention of the House.

Dr. Surendra Nath Das :

১৯৫৬ চনতে Rural Radio Construction ৰ কাম আৰম্ভ কৰা হল কিন্তু আজিও সেই বিলাক অচল হৈ পৰি আছে। অথচ আমি দেখিবলৈ পাইছো এই বিভাগত বহুত মানুহে Farm খুলি ৰেডিওৰ ব্যৱসায় কৰিছে।

এই বিভাগৰ Poster ছপা কৰোতে বহুত চৰকাৰী টকাৰ অপচয় হৈছে। এই বিভাগৰ দ্বাৰা যি Poster ছপোৱা হৈছিল সেই ৫ হাজাৰ Poster ৰ দাম শুনিলে আচৰিত হব। 'Nevertheless, 650 radio sets valued at Rs. 2.55 lakhs were purchased during April 1964 to March 1966 for distribution in the rural areas. According to information furnished by Government in July 1967 253 of these radio sets (costing Rs. 1.01 lakhs) had not yet been installed.

৫ টা Colour ৰ, এইটোৰ দাম আৰু দুই ৰঙৰ এইটোৰ দামৰ ইমান পাৰ্থক্য। দুই ৰঙৰ টোৰ দাম বেছি হৈছে ৫ ৰঙৰ টোতকৈ কাজেই এইদৰে যদি টকাৰ অপচয় হয় তেনেহলে দেশক ৰক্ষা কৰা টান হব।

**Mr. Deputy Speaker :** কি প্ৰেছ ।

**Dr. Surendra Nath Das :** গুৱাহাটী প্ৰেছ, সেইটো মই আগতেই কৈ আহিছো ।

উপাধ্যক্ষ মহোদয়, মই চিকিৎসক মানুহ গতিকে চিকিৎসা বিভাগৰ কথা কেই আষাৰমান কব খুজিছো । দুভাগ্যৰ কথা যে আমাৰ বিভাগীয় মন্ত্ৰীজনা বক্তৃতাৰ সময়ত প্ৰায়ে সদনত উপস্থিত নাথাকে । জনস্বাস্থ্য বিভাগৰ সম্পৰ্কত মই কব খুজিছো যে বৰ্ত্তমানে অসমখন হেয়' অৱহেলিত হৈ আছে । বৰ্ত্তমান আমাৰ তিনিহাজাৰ পাঁচশ মানুহৰ ভিতৰত এজন ডাক্তৰ, কিন্তু 'ভোৰ কমিটিৰ' প্ৰতিবেদন মতে ১,৫০০ জনৰ ভিতৰত এজন হব লাগে । প্ৰকৃত পক্ষে আমাৰ গাওঁ অঞ্চলত ৯৫ ভাগ মানুহে কাম কৰে । সেই অঞ্চল বিলাকত ডাক্তৰৰ অভাৱ । গাওঁ অঞ্চলৰ ডাক্তৰ জনসংখ্যাৰ তুলনাত কম । ১০ হাজাৰৰ মাজতহে এজন ডাক্তৰ হব পাৰে । এই অঞ্চল বিলাকত ৪৫৭ খন State Dispensary আছে । এই বিলাক বৰ দুখ লগা কথা এই State Dispnsry ৰ ঘৰ-দুৱাৰ আজি ৬/৭ বছৰ আগতে ভাঙি গৈছে । Main building বোৰ ভাঙি যোৱাৰ ৬/৭ বছৰ হোৱা স্বত্বেও তাৰ প্ৰতি কোনো নজৰ চৰকাৰে কৰা নাই । ডাক্তৰ থকা ঘৰটোতে Medicine ৰাখে, ডাক্তৰো থাকে, ভাত ৰান্ধে আৰু সেই ঘৰৰ পৰাই ঔষধ বিতৰণ কৰি আছে ।

বৰ্ত্তমান Subsidised Dispensary আছে ৩৮ খন আয়ুৰ্ব্বেদিক Dispensary ৬৫ খন আছে । এই বিলাকৰ অৱস্থা বৰ দুখ লগা হৈ আছে । Primary Health Centre আছে ৯৯ টা ইয়াৰ অৱস্থাও দুখ লাগে । এইবিলাকলৈ নজৰ দিব লাগে ।

তাৰ পিচত মই জনস্বাস্থ্য বিভাগৰ মন্ত্ৰী ডাঙৰীয়াক জনাওঁ যে কেৱল গুৱাহাটী আৰু ডিব্ৰুগড় Medical College ৰ ওপৰতে নিৰ্ভৰ কৰি নাথাকি ঠায়ে ঠায়ে State Dispensary খুলি জনসাধাৰণৰ চিকিৎসাৰ সুবিধা কৰি দিয়ে যেন। সেই কাৰণে অন্ততঃ মহকুমাই প্ৰতি একোখন Hospital কৰি দিব লাগে যাতে চিকিৎসাৰ সুব্যৱস্থা হয়।

(সময়ৰ সংকেট)

চাৰ মোক অলপ কবলৈ দিয়ক। আমাৰ দেশৰ বিশেষকৈ ডাক্তৰসকল অতীষ্ঠ হৈ উঠিছে তেওঁলোকৰ Seniority fix নকৰাৰ বাবে। স্ব জনপ্ৰীতিৰ ওপৰত নিৰ্ভৰ কৰিহে চৰকাৰৰ তৰফৰ পৰা এইটো ঠিক কৰা হৈছে। তাৰোপৰি আজি ১০/১২ বছৰে কাম কৰি থকা ডাক্তৰ সকলৰ চাকৰি Confirmation নোহোৱাৰ কাৰণে তেওঁলোক বঞ্চিত হৈ আছে। এই ডাক্তৰ সকলৰ এনে দুখ লগা অৱস্থালৈ চৰকাৰে তীক্ষ্ণ নজৰ দিব লাগে।

তাৰ পিচত ভেকচিনেটৰ আৰু ফাৰ্মাচিষ্ট সকলে আজি ৪/৬ মাহ দৰমহা পোৱা নাই। এই কম দৰমহাৰ চাকৰিয়ালে এনেকৈ কেবামাহো দৰমহা নাপালে চলে কেনেকৈ? এইটো সচাঁকৈ চিন্তা কৰিব লগীয়া কথা।

চাৰ, আৰু এটা কথা, আমাৰ Health Service ক I. M. S. ৰ লগত লগ লগাব বিচাৰিছে। কিন্তু ইয়াৰ পৰা আমাৰ প্ৰদেশৰ ডাক্তৰ সকলৰ অৱস্থা বৰ দুখলগা হব কিয়নো বাহিৰৰ ডাক্তৰ আহি ইয়াত সোমাবহি গতিকে মই স্বাস্থ্যমন্ত্ৰী ডাঙৰীয়াক সাৱধান কৰি দিছো যাতে এইটো নকৰে। সেই একে কথাই আমাৰ I. A. S. ৰ ক্ষেত্ৰতো হৈছে।

তাৰ পিচত আমাৰ দুখন ইঞ্জিনীয়াৰিং কলেজ আছে।

তাৰপৰা বহুতো ইঞ্জিনীয়াৰ ওলাই আছে। আমাৰ Politechical Institute বোৰৰ পৰাও বহুত Sub-Engineer ওলাই আছে যি সকলে কৰ্মহীন অৱস্থাত পৰি আছে। আমাৰ প্ৰথম শ্ৰেণীৰ Contractor সকলে এজোন Graduate Engineer আৰু একাধিক Sub-Engineer লেবাৰ নিয়ম আছে যদিও সেই মতে Engineer সকলক নিয়োগ কৰা হোৱা নাই।

Shri Kamakhya Prasad Tripathi : কিমান টকাত ঠিকাদাৰে এইটো কৰিব লাগে ?

Dr. Surendra Nath Das : টকাৰ কথা নাই। প্ৰথম শ্ৰেণীৰ সকলো ঠিকাদাৰেই এইটো কৰিব লাগে বুলি নিয়ম আছে। আমাৰ বিভাগীয় অমীয়েদলে এইবিষয়ত নজৰ দি এই Engineer সকলক নিয়োগ কৰাৰ দিহা কৰিলে বহুতো Engineer উপকৃত হব। আৰু বহুতো কবলগীয়া আছিল এইখিনিতে কৈ মই মোৰ বক্তৃতাৰ সামৰণি মাৰিলো।

Shri Giasuddim Ahmed : Mr. Deputy Speaker, a point of clarification. Here is a big poster may I know from the Govt. from which firm these posters were printed ? These are written in English and whether these are to be used in the rural areas ?

Shri Lakshmi Prasad Goswami : There are Assamese posters also. These are meant for Hill areas and for farmers.

**Shri Atul Chandra Goswami** : উপাধ্যক্ষ মহোদয়, বিত্তমন্ত্রী ডাঙৰীয়াৰ বাজেট বক্তৃতা শুনিলোঁ। তেখেতৰ বক্তৃতাত দেশৰ অৰ্থনৈতিক ছবি ডাঙি ধৰাতকৈ ধৰ্ম্মযাজকৰ উপদেশ বানীহে বেছি পালোঁ। ইয়াৰ আগতে ১৯৬৭-৬৮ চনৰ বাজেট্ বক্তৃতাত তেখেতে এটা উপদেশ দিছিল। এইবাৰ কিন্তু পঞ্চশীল চুক্তিৰ দৰে পাচঁটা উপদেশ দিছে। যেতিয়া দেশৰ বিত্তমন্ত্ৰী ধৰ্ম্মযাজক হয়, তেতিয়া দেশৰ অৰ্থনীতি কোনটো গতিত আগবাঢ়িব সেইটো সহজে অনুমান কৰিব পাৰি। "অড়িট্ ৰিপৰ্ট" চালেই সহজে বুজিব পাৰিব যে আমাৰ অৰ্থনীতিয়ে কোনফালে ঢাল লৈছে। অৱশ্যে "অড়িট্ ৰিপৰ্ট" পঢ়োতে আগতে আপত্তি কৰিছিল, কিন্তু তিনিটা পঞ্চবাৰ্ষিকী পৰিকল্পনা শেষ হৈ যোৱাৰ পিচত এই "ছাৰ্ভে ৰিপৰ্ট" ত আমাৰ অসম প্ৰদেশৰ অৱস্থা আটাইতকৈ বেয়া বুলি কোৱা হৈছে।

তাৰ বাহিৰেও Investment Savings Corporation, Chapter No. 73. ত কৈছে যে Per capita income ভাৰত বৰ্ষত যিটো আছে তাৰ তুলনাত অসমৰ বহুতো কম। আমাৰ অসমৰ যিটো জনমুৰি আয়; সেইটো ধনী-মানুহৰ উপাৰ্জ্জনতকৈ নিঃকিন দুখীয়া মানুহৰ বহুত কম। কিন্তু প্ৰত্যেক গাৱঁতে বসবাস কৰা লোকসকলৰ আয় কেই গুইছা হৈছে, সেইটো বিত্তমন্ত্ৰীয়ে উল্লেখ কৰা নাই।

কৃষিক্ষেত্ৰত বিত্তমন্ত্ৰীয়ে স্বীকাৰ কৰিছে আৰু স্বীকাৰ কৰিবলৈও বাধ্য যে, কৃষিয়েই হৈছে আমাৰ দেশৰ প্ৰধান সম্বল। অৱশ্যে ইয়াত নিয়মিয়াকৈ কিছু বৰষুন হোৱাৰ কাৰণে তলপ উৎপাদন বৃদ্ধি হৈছিল। কিন্তু এইবাৰ উপাধ্যক্ষ মহোদয়, পানীৰ অভাৱত এতিয়ালৈকে আহুধানৰ কঠিয়া সিঁচিব পৰা নাই। পানী যোগানৰ ব্যৱস্থা নাই; কিন্তু জলসিঞ্চনৰ আঁচনি আছে। যেতিয়া আকাশৰ পৰা পানী পৰে, তেতিয়াহে জলসিঞ্চনৰ ব্যৱস্থা কৰে; যেতিয়া আকাশৰ পানী নাহে, তেতিয়া জলসিঞ্চনৰ ব্যৱস্থাও নাই।

এইখিনিকো বতৰে উপকাৰ কৰাতহে আমাৰ সদনত খাদ্যৰ ত্ৰুৰ্কা কৃষি আলোচনা হয়। আমাৰ অসমীয়াত এটা ফকৰা আছে—

"এপাত শৰতে সাতোটা হৰিনা মাৰিলোঁ।
লোকক নকলো লাজে।
ছমাহ খাপ দি নিগনি এটা মাৰিলেঁ—
তাতে ধনঞ্জয় ঢোল বাজে ॥"

উপাধ্যক্ষ ডাঙৰীয়া, উদ্যোগৰ ক্ষেত্ৰত আমি যথেষ্ট পইছা বিনিয়োগ কৰিছোঁ। কিন্তু আমাৰ উদ্যোগ বঢ়া নাই কিয় ? আনফালে ভাৰতৰ জনমূৰি আয় হৈছে দিল্লীত ১'৬, পশ্চিমবঙ্গত ১'১৪ আৰু ৭'৭ হৈছে অসমৰ তাৰে শতকৰা ০'৪ ভাগ দিছে গাওঁ বিলাকত। এই গাওঁবিলাকত ৰাষ্টা পথ আদি ভাল হোৱা নাই কাৰণে আজি গাৱঁৰ এনে শোচনীয় অৱস্থা হৈছে। কিছুমান গাৱঁত ইলেকৃট্ৰিক চিটি বৰ্ডে বিজুলী পৰিবহনৰ কাম চলাইছে যেনে :- ৰহা, জখলাবন্ধা আদি টাউনৰ কাৰণেহে এই ব্যৱস্থা হল। কিন্তু আজিলৈকে পথাৰৰ মাজত কোনো এখন ঠাইতেই বিজুলীশক্তিৰ দ্বাৰা পানী যোগানৰ ব্যৱস্থা কৰা হোৱা নাই।

অসমত এই কেইমাহমানৰ ভিতৰতে প্ৰায় ১২ লাখ মানুহৰ কাৰণে ১ লাখ ভেকুলীৰ বিয়া হল আৰু ১ লাখ-ভেকুলীৰ বিয়াত ৫০ কোটি টকা খৰচ হয়। এইদৰে পানীৰ কাৰণে ইন্দ্ৰদেৱতাক তুষ্ট কৰিবলৈ প্ৰত্যেক বছৰে ৫০ কোটি টকা খৰচ কৰি ভেকুলীৰ বিয়া পাতে। অকল ভেকুলীৰেই বিয়া নহয়; দুই এজন মানুহৰো বিয়া হৈছে কিন্তু মানুহৰ বিয়াতকৈ ভেকুলীৰ বিয়াতহে খৰচ বেছি হৈছে ঠিক এই ধৰণেই আমাৰ দেশৰ অৰ্থনীতিয়ে বৃটিছৰ দিনৰ অৰ্থনীতিৰ নেগুৰত ধৰি আছে আৰু আমাৰ কংগ্ৰেছ চৰকাৰেও তেনেকৈয়ে ওলমি ৰৈ আছে। আজি সমাজবাদৰ কথা কৈছে; কিন্তু সমাজবাদৰ কথা কেইফাকিমান কলেই সমাজবাদ গঢ়ি তোলা নহয়, আদৰ্শও নহয় কামো নহয় আৰু কথাও নহয়।

উপাধ্যক্ষ মহোদয়, আমাৰ দেশৰ অৱস্থা কি কাৰণত এনেকুৱা হৈছে? কাৰন হল বন-জঙ্গলৰ ৩৯ বিঘা মাটি মুখ্যমন্ত্ৰীৰ সম্পৰ্কীয় এজন মানুহক ১ হেজাৰ টকাতে বিক্ৰী কৰিছে। তেওঁহেনো মুখ্যমন্ত্ৰীৰ জোৱাঁয়েক সম্পৰ্কীয় হয়। সেইকাৰণে আজি দেশৰ এই অৱস্থা। আমাৰ বিত্তমন্ত্ৰী ৰাজহমন্ত্ৰী, মুখ্যমন্ত্ৰী আৰু কৃষিমন্ত্ৰী; এই কেইজন হল আমাৰ ভঁৰালৰ এন্দুৰ আৰু তেওঁলোকৰ লগত ৮৪ হেজাৰ সৰু-সুৰা ডালশলীয়া এন্দুৰ আছে। এই আটাই-কেইজন এন্দুৰে গোটখাই আমাৰ ৰাজভঁৰালৰ ৫০ কোটি ধন লুটি পেলাইছে। এই কেইজন এন্দুৰৰ উদ্যোগপতিৰ লগতো সম্বন্ধ নথকা নহয়। প্ৰত্যেকজন মন্ত্ৰীৰেই একো একোজন উদ্যোগপতিৰ লগত সম্বন্ধ আছে। কোনোবা এজনৰ আছে গুৱাহাটীৰ লগত, কোনোবা জনৰ আছে তিনিচুকীয়াৰ লগত আৰু কোনোবা জনৰ আছে ডিব্ৰুগড়ৰ লগত। আমাৰ মন্ত্ৰীসকলৰ প্ৰত্যেকেই উদ্যোগ পতিৰ লগত পইছাৰ ক্ষেত্ৰত লিপ্ত থকাৰ কাৰণে আজি অসমৰ অৰ্থনীতি প্ৰতি দিনেই ধ্বংস হব ধৰিছে।

Shri Mohendra Mohan Choudhury : (Minister, Paliamentary Affiairs) ঃ কোন কোন মন্ত্ৰীৰ কাৰ লগত সমন্ধ আছে আপুনি কব পাৰিবনে?

Shri Atul Chandra Goswami : যদি মাননীয় মন্ত্ৰীমহোদয়ে এখন Enquiry Committee গঠন কৰিম বুলি প্ৰতিশ্ৰুতি দিয়ে, তেতিয়াহলে মই কৈ দিব পাৰিম কোন মন্ত্ৰীৰ কাৰ লগত সমন্ধ আছে আৰু সেই Enquiry Committee ত মোৰ নামো ভৰ্ত্তি কৰি ৰাখিব লাগে। মই আজি দুবছৰ দিনে M. L. A, হৈছোঁ যেতিয়া মোৰো শাস্তি হব লাগে! তেওঁলোকে কিমান টকা উপাৰ্জ্জন কৰিলে, কিমান দুৰ্নীতি কৰিলে তাক অনুসন্ধান কৰিবলৈ এখন কমিটি গঠন কৰক—তেতিয়া মই হিচাব দিম—

মন্ত্ৰীহোৱাৰ আগতে তেওঁলোকৰ কিমান সম্পৃত্তি আছিল, মন্ত্ৰী হোৱাৰ পাছত কিমান সম্পৰ্ত্তি হল আৰু মন্ত্ৰীৰ পুতেক জীয়েকৰ ভতিজাকৰ আৰু খুলশালীয়েকজনীৰ কিমান সম্পত্তি আছিল, এতিয়া কিমান হ'ল, তাৰ কাৰণে এখন Enquiry Committee গঠন কৰক।

উপাধ্যক্ষ মহোদয়, গান্ধীজীৰ শতবাৰ্ষিকী পালন কৰি সত্যক ঢাকি ৰাখিব বিচাৰিছে। গান্ধীজীৰ আদৰ্শত ইমান বছৰে বিত্ত-মন্ত্ৰীয়ে কমিটি গঠন কৰি বাজেট্ বক্তৃতা পাঠ কৰিছে য'ত মন্ত্ৰী-সকলৰ ভ্ৰমন কিমান তেওঁলোকৰ ল'ৰা-ছোৱালীৰ খৰচ-পাতি কিমান খুলশালী আৰু জোৱাঁয়েকৰ কিমান—সকলো আছে শেষ নাই—শেহতীয়াকৈ ভতিজাকৰ কথা উল্লেখ কৰিছে যে ভতিজাকৰ খৰচ-পাতি কিমান হব?

উপাধ্যক্ষ মহোদয়, অনাদায়ী কৰ আদায় কৰা ক্ষেত্ৰত এতিয়াও ২৫ কোটি টকা বাকী আছে। এই অনাদায়ীকৰ যাৰ হাতত আছে আৰু যাৰপৰা পাবলগীয়া আছে, তাৰ লিষ্ট্ এখন কৰি যদি চোৱা যায়; তেন্তে দেখিব যিসকলৰ পৰা পাবলগীয়া আছে সেইসকলৰ সৰহ সংখ্যক লোকেই মন্ত্ৰীৰ সমন্ধীয় লোক।

তাৰ পিচত, Chief Minister ৰ Relief fund ৰ কাৰণে কাৰ বিভাগৰ দ্বাৰা পইছা সংগ্ৰহ কৰিছে আৰু সেই পইছা তুলিবৰ কাৰণে তেওঁলোকে কিয় সহায় নকৰিলে, তাৰ পাছত উপদেষ্টাক হেচি মুখ্যমন্ত্ৰীৰ Reliet Fund ভাগ ভাগ কৰিলে, কেইজনমানে Fund লুটিলে—তাৰ কাৰণে তেওঁলোকে সদায় Report দিয়ে।

তাৰ পাছত মটৰ Vehicle যিবিলাকত কৰিছে, তাত যিবিলাক উন্নত ধৰণৰ বজাৰ আছে তাৰপৰা তেওঁলোকে নিজেই পয়ছা লয়—কিমান ধন দিয়ে নাজানো; কিন্তু এইধৰণেই তেওঁ-লোকে ৰাইজৰ ধন আত্মসাৎ কৰিছে।

উপাধ্যক্ষ মহোদয়, গুৱাহাটীৰ পৰা ডিব্ৰুগড়ৈল যিটো ৰাস্তা আছে, সেইটোৰেই আটাইতকৈ ডাঙৰ আৰু দীঘল ৰাস্তা যত বিভিন্ন ডিজেল, ট্ৰাক আৰু চৰকাৰী Transport বাছ চলাচল কৰে ; তাত ইমূৰৰ পৰা সিমূৰলৈকে কেৱল দুৰ্নীতি । সেইবিলাক দূৰ কৰাৰ ব্যৱস্থা আজিলৈকে কংগ্ৰেছ চৰকাৰে কৰা নাই ।

তাৰ পাছত, জলসিঞ্চনৰ বাবে নানা আঁচনি কৰিলে, পইছাও বহুত খৰচ কৰিলে ; কিন্তু আজিলৈকে—কৃত্ৰিম পানীযোগানৰ ব্যৱস্থা ঠিক নহল ; কৃষিৰ ব্যৱস্থা কেতিয়া হব তাৰ কোনো নিৰ্দ্দিষ্ট ঠিকনা নাই । অসমীয়াত কথা এটা আছে—

"কথাৰ ৰস ওলায় যদি কব জানে
মাটি ৰসাল হয় যদি ধুৱে বানে

গতিকে যেতিয়ালৈকে মাটিত পানী যোগানৰ ব্যৱস্থা নাথাকে, তেতিয়ালৈকে কৃষি উন্নত হব নোৱাঁৰে আৰু কৃষিৰ যথেষ্ট উন্নতি নহলে, দেশৰ অৰ্থনৈতিক বিকাশ হব নোৱাঁৰে । মাটিৰ ক্ষেত্ৰত প্ৰকৃত কৃষকক উচ্ছেদ কৰি শস্যৰ বিষয়ে ডাঙ ডাঙৰ পোষ্টাৰ, Sign Board আদি দিছে । ৰাস্তাৰ কাষত চাৰিআলিৰ চুকে কানে বহুতো টকা খৰচ কৰি কৃষিবিভাগে উন্নত ধৰণেৰে টাইচুং ধানৰ খেতি কৰিবলৈ Sign Board ঠিয় কৰি ৰাখিছে । কিন্তু মাটি যদি কৃষকৰ হাতলৈ নাহে, তেন্তে টাইচুং ধানৰ খেতি হব ক'ৰ পৰা ? পোষ্টাৰত খেতি হব নে, Sign Board ৰ আখৰখিনিত খেতি হব, নে সচিবালয়ত থকা ৰুমৰ ভিতৰত হব নে ফাইলৰ ভিতৰত হব ?

**Shri Atul Chandra Goswami :** এই লম্বোদৰ শইকীয়াক ৩০ বিঘাকৈ মাটি দিছে । নগাওঁৰ D. C. Offic ৰ ৩৮ জন কেৰাণীক ১০ বিঘাকৈ মাটি দিয়া হৈছে ।

Shri Mahendra Mohan Choudhury : এইবোৰ কেতিয়াৰ কথা ?

Shri Atul Chandra Goswami : এইবোৰ ৬।৭ বছৰৰ পৰা মাটি দিয়া কাম চলি আছে । আজিকালি চৰকাৰী বিষয়া সকলকহে মাটি দিয়ে। মই জনাত এই লম্বোধৰ শইকীয়া C. I. D. D.S.P. আছিল। তাৰ পাচত আকৌ Promotion ও পাইছে। এই অফিচাৰ-জনে যতেই গৈছে ততেই মাটি পাইছে, তেওঁৰ কলিয়াবৰ ভোৰবন্ধা আদি সকলো ঠাইতে মাটি আছে । যতেই যায় ততেই মাটি পায় । কিন্তু কৃষকৰ কাৰণে মাটি নাই । গৰ্মেণ্টৰ অফিচাৰ যেনে O. C. S. D. O. আদিৰ কাৰণে মাটি ওলাই আৰু কৃষকৰ কাৰণে মাটি নাই বুলি কলে আমি মানিব নোৱাৰো । এই-বিলাকৰ পৰিনতি হিচাবেই বৰ্ত্তমানে বেদখল কাৰ্য্য পৰিষৰ বাঢ়িছে আৰু বাঢ়িবও । নাৰেঙ্গীৰ ওচৰত ৰাজধানী প্ৰতিস্থিত হব পাৰে বুলি, বহুতো গৰ্মেণ্ট অফিচাৰ আৰু মন্ত্ৰীসকলৰ লগাভগা সকলক মাটি দিছে । চৰকাৰে সদায় কয়যে টকা অপচয় নকৰে। বাজটত সদায় দেখিছো প্ৰত্যেক বছৰি কিছু টকা ৰাহি হয় । আমি আগতেও কৈছো যে এনেকৈয়ে D. A. বঢ়াই দেশৰ উপকাৰ কৰিব নোৱাৰে । তাৰ পৰিবৰ্ত্তে ৰেহাই মূল্যত বস্তু দিবলৈ চেষ্টা কৰিব লাগিব । আৰু বস্তুৰ মূল্য নিৰ্দ্ধাৰণ কৰিব লাগিব । তেতিয়াহে D, A, বঢ়োৱাৰ পৰা ৰেহাই পাব । ৰিজাৰ্ভ forest ৰ মাটি দিয়াৰ বিষয়ে আমি ৰাজহ মন্ত্ৰীক কৈছিলো । যিবিলাক ৰিজাৰ্ভ forest ত মূল্যবান গছ-গছনি নগজে কিন্তু প্ৰচুৰ পৰিমানে যত খেতি হব পাৰে সেইবিলাক Reserve ত বৈজ্ঞানিক প্ৰনালীৰে খেতি কৰাত কি আপত্তি আছে ? এই কথাটো মই ভালকৈ বিবে-চনা কৰি চাবলৈ পুনৰ উত্থাপন কৰিলো । তাৰকাৰণে ৫/৬ হাজাৰ ডেকালৰা কৃষিসেনা কৰিব লাগে আৰু বজাৰৰ বস্তু এটা শক্তিশালী মূল্য নীতি কৰিব লাগে । বস্তুৰ দামৰ কাৰণে উৎপাদনৰ যি খৰচ হব সেই সকলো বিবেচনা কৰি বৈজ্ঞানিক হিচাপত বস্তুৰ কি মূলা হব তাক নিৰ্দ্ধাৰণ কৰি সেই অনুসাৰে আমাৰ বজাৰৰ

মূল্য নীতি যেতিয়ালৈকে স্থিও কৰিব নোৱাৰো তেতিয়ালৈকে আমি একো কৰিব নোৱাৰিম। এইখিনিকেই কৈ মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

*Shri Sarat Chandra Goswami: মাননীয় উপাধ্যক্ষ মহোদয় সদনত বিত্তমন্ত্ৰীৰ ১৯৬৯-৭০ চনৰ বাজেট বক্তৃতা শুনি আৰু পঢ়ি মোৰ মানস পটত অঙ্কিত হোৱা ছবিখন হৈছে এই—

...এজন ভাগৰুৱা পথিক—হাতত উদ্যাম আশাৰ আঁৰিয়ালৈ বাট বুলিছে সীমাহীন যাত্ৰাৰ আন্ধাৰ পথত,—বুকুত এবুকু আশা মনত পোৱা-নোপোৱাৰ নিস্ফুত শঙ্কা; ভগবান আৰু অতিমানবৰ কোছৰ অতি আশ্বাসৰ ওপৰত আস্থালৈ।

মই বিত্তমন্ত্ৰীৰ প্ৰচেষ্টাৰ বাবে শলাগ জনাইছোঁ আৰু আশাবাদী অনুধাৱনৰ প্ৰতি স্বাগত জনাই এতিয়া মই মোৰ মনত ৰেখাপাত কৰা কথাবিলাকৰ ভিতৰত গোটাদিয়েক উল্লেখ কৰিব খুজিছোঁ।

বিত্তমন্ত্ৰীৰ বাজেট বক্তৃতা বাজেটৰ পটভূমি হিচাবে অসম পুনৰ গঠনৰ বিষয়টো অৱতাৰণা কৰিছে। "মাননীয় সদস্য জনে যে পুনৰ গঠন সম্পৰ্কীয় বিস্তৃত বিৱৰণী—সম্প্ৰতি প্ৰস্তুত কৰি থকা হৈছে আৰু বছৰটোৰ ভিতৰত প্ৰকৃত পুনৰ গঠনৰ কাম সম্পূৰ্ণ হব। এনে এটা ঘাই বিষয় সমাধান কৰি লোৱা এই সিদ্ধান্ত আৰু সকলো দিশৰ পৰা লাভ কৰা সদিচ্ছাৰ ফলত ৰাজ্যখনৰ জনসাধাৰণে বৰ্ত্তমানে শান্তি আৰু ভৱিষ্যত প্ৰগতিৰ আশা কৰিব পাৰে"। ইয়াত এক আত্মতুষ্টিৰ ক্ষীন সুৰ বাজিছে। বৰ্ত্তমানে যি আঁচনি পাৰ্লিয়ামেণ্টৰ বাচনি কমিটিত আছে সেই আঁচনিৰ ত্ৰুটিসমূহ এই সদনতে ডুগৰাকী প্ৰবীন সদস্যাই বিশদভাৱে ৰাখ্যাকৰি আৱশ্যকীয় সংশোধনী নহলে অসমৰ স্বাস্থ্য আৰু মৰ্য্যদা যে, খৰ্ব্বিত হব সেইটো

---

*Speech not corrected

পৰ্য্যালোচনা কৰি দেখুৱাইছে। এই বিধান সভাৰ এক সৰ্ব্বসন্মত প্ৰস্তাৱৰ পিচত এই আঁচনিৰ ঘোষনা হৈছিল—সিপিনে আঁচনি পুনৰালোচনা কৰা পাৰ্লিয়ামেণ্টৰ বাচনি কমিটিত এই সদনৰ প্ৰতিনিধি নাই। গতিকে সদনৰ শঙ্কা আৰু সন্দেহ দূৰীভূত কৰাৰ কি ব্যৱস্থা হব সেই বিষয়ে কোনো উল্লেই নকৰাকৈ বিত্তমন্ত্ৰীৰ এই আত্মতুষ্টিৰ ভাৱ প্ৰকাশ যুক্তিযুক্ত হোৱা নাই।

কি প্ৰকৃত পুনৰ গঠন হব সেইটো নজনাকৈ নিশ্চিন্ত হোৱাৰ কি ভয়াবহ পৰিনাম হব পাৰে সেইটো প্ৰত্যেক ক্ষেত্ৰতে অভিজ্ঞতা অৰ্জ্জন কৰি আহিছে। মই ভাবোঁ বিলখন বাচনি কমিটিত থাকোতেই বাচনি কমিটিৰ পৰাগৈ পাৰ্লিয়ামেণ্টত চূড়ান্তভাৱে গৃহীত হোৱাৰ আগতেই এই সদনে বিলখনৰ ওপৰত মতামত দিব পৰা এটা ব্যৱস্থা হোৱাটো নিশ্চয় বাঞ্ছনীয় হব। নহলে মাত নমতাকৈয়ে বিলত অসমৰ স্বাৰ্থ-বিৰোধী যদি কিবা থাকে সেই দোষৰ ভাগী হব লাগিব—এই সদনো।

তৃতীয় পৃষ্ঠাৰ শেষ দফাৰ আগৰ দফাত বিত্তমন্ত্ৰীয়ে কৈছে যে, কৃষিৰ ক্ষেত্ৰত হোৱা সফলতাৰ নিমিত্তেই ৰাজ্যখনৰ মুঠ আয় বাঢ়িছে। অসম ৰাজ্যৰ মুঠ আয়ৰ প্ৰায় আধা ভাগ আহে কৃষিৰ পৰাই। মুঠতে আমাৰ অৰ্থনীতিৰ বুনিয়াদেই হ'ল কৃষি প্ৰধান। এই কৃষি উদ্যোগমুখী হোৱাটো নিশ্চয় সুখৰ কথা—কিন্তু এতিয়াও ই অতিপাত ৰূপে বতৰৰ ওপৰতেই নিৰ্ভৰশীল হৈ থাকিব লগা হৈ আছে। এই প্ৰসঙ্গত বাজেট বক্তৃতাত উল্লেখ নাথাকিলেও বাতৰি কাকতত ওলোৱামতে কেন্দ্ৰীয় চৰকাৰে পলমকৈ হলেও "ব্ৰহ্মপুত্ৰ ভেলি কমিশ্যন" কৰি ব্ৰহ্মপুত্ৰ নিয়ন্ত্ৰণৰ দায়ীত্বলবলৈ আগবাঢ়ি অহাটো সুখৰ কথা। কিন্তু এই সন্দৰ্ভত ১২পৃষ্ঠাত বিত্তমন্ত্ৰীয়ে "উপদেষ্টা মণ্ডলীয়ে আকৰ্ষণীয় আৰু সুসাধ্য বুলি গণ্য কৰা কপিলী জলবিদ্যুৎ প্ৰকল্প চতুৰ্থ যোজনাত অন্তভূক্ত কৰিবলৈ জলসিঞ্চন আৰু বিদ্যুৎ পৰিক্ৰমা মন্ত্ৰীদপ্তৰে অনুমোদন নজনোৱাটো

দুৰ্ভাগ্যজনক কথা” বুলি— আক্ষেপ কৰিব লগা হোৱাটো আৰু দুৰ্ভাগ্যজনক কথা। কপিলী জলবিদ্যুৎ প্ৰকল্পৰ আয়োজন প্ৰথম পৰিকল্পনাৰ কালৰ পৰাই হোৱা স্বত্বেও এতিয়ালৈকে—ইয়াৰ এনে দশা হোৱাটোৱে নিশ্চয় আমাৰ চৰকাৰৰ গৌৰৱ নুসূচায়। কপিলী প্ৰকল্পই অকল বিজুলীশক্তি যোগানেই নধৰিব অসমৰ ধান-ভঁৰাল অঞ্চলটোত কৃষি উন্নয়ণৰ বিৰাট—সম্ভাৱনা কৰিব। শিল্পৰ বিষয়ে বেচি নোকোৱাই ভাল। অসমৰ প্ৰচুৰ উদ্যোগিক এতিয়াও উদ্ঘাটন হোৱা নাই। সম্পদৰাজিৰ চতুৰ্থ যোজনাৰ কালচোৱাত আমাৰ ইয়াত এটা বিলাতী মাটিৰ কাৰখানা প্ৰতিস্থা কৰাৰ কথাও ভাৰত চৰকাৰে বিবেচনা কৰি আছে। উদ্যোগমন্ত্ৰনালয়ে ইয়াকে খাটাং কৰিবলৈ ইমান সময় লোৱাটো পৰিতাপৰ কথা বুলি যি হতাশাৰ ভাৱ বিত্তমন্ত্ৰীয়ে প্ৰকাশ কৰিছে, সিয়েই অসমবাসীৰ অন্তৰত উদ্যোগ সমন্ধে জাগি উঠা হাঁহাকাৰৰ প্ৰতিধ্বনি।

বিত্তমন্ত্ৰীয়ে কৈছে শিক্ষাৰ ক্ষেত্ৰত চৰকাৰৰনীতি হৈছে শিক্ষাৰ সা-সুবিধা সম্প্ৰসাৰণ কৰাতকৈ গুনগত উন্নয়ন সাধন আৰু একত্ৰিকৰণ, কৰাটোহে। সা-সুবিধা সম্প্ৰসাৰন নকৰাকৈ গুনগত উন্নয়ন সাধন কেনেকৈ হব পাৰে এইটো বুজিব নোৱাৰো। স্বাধীনতাৰ পিচৰে পৰা আমাৰ আগত যিমানবোৰ সংকট আহি পৰিছে তাৰ ভিতৰত শিক্ষা-সংকট অন্যতম গুৰুতৰ। কমিচনৰ পাচত কমিচন নিয়োগ হব লাগিছে, শিক্ষা-সংস্কাৰৰ বাবে আৰু ফলত আজিৰ চাম লৰা-ছোৱালীয়ে এক অনিশ্চয় পথেৰে Experiment ৰ বলি হব লগা হৈছে। মুদালিয়াৰ কমিচনৰ চুপাৰিচ মতে হাইস্কুল বিলাকক Higher Secondary লৈ ৰূপান্তৰিত কৰাৰ ব্যৱস্থা কৰা হৈছে। Three year Degree course কৰা হল। আৰু হাইস্কুল বা উচ্চ মাধ্যমিক স্কুলৰ মাধ্যম হব অসমীয়া। আৰু Pre-university ৰ মাধ্যম হব ইংৰাজী। আৰু Pre-unviversity মাত্ৰ ৪ মাহ হে Class হয়। ফলত লৰা-ছোৱালী বিলাকৰ

Degree course লৈ যোৱাৰ অসুবিধা হয়।

আজি এই অসামঞ্জস্যতাবোৰ বৰ্ত্তমানে ধৰা পৰিছে। অদূৰ ভৱিষ্যতত হাইস্কুল বোৰ অৰ্থভাবৰ বাবে উচ্চ মাধ্যমিকলৈ ৰূপান্তৰিত হোৱা অসম্ভৱ। শিক্ষাবিদ সকলে মুদ্ৰালিখাৰ কমিচনৰ সংস্কাৰ ফলপ্ৰসূ নোহোৱা বুলি ঠাৱৰ কৰি পুনৰ P.U দুবছৰীয়া কৰাৰ সপেক্ষে মত দিছে। তেতিয়া এই Degree course টোও দুবছৰীয়া হব অৰ্থাৎ আমাৰ intermediate আৰু Degree course লৈ যোৱা হব। উচ্চ মধ্যমিকতো আৰু এটা শ্ৰেণী বঢ়াব লাগে। এইবোৰেই হ'ল Experiment.

এতিয়ালৈকে বহুতো চলিথকা হাইস্কুলত ঘাটি মঞ্জুৰী দিয়া নাই আৰু এই নিয়ম ব্যাহত হৈছে। আগতে পোৱাবোৰে পায়েই আহিছে। ফলত একেসময়ৰ কিছুমানৰ প্ৰতি মই পক্ষ-পাতিতা কৰাৰ কি অধিকাৰ আছে চৰকাৰৰ— ? আজি সেই স্কুলবোৰৰ অৱস্থা পানীত হাঁহ নচৰা হৈছে। এনেভাবে সাসুবিধাৰ সম্প্ৰসাৰণ বন্ধ কৰি সেই শিক্ষানুষ্ঠান সমূহৰ গুনগত উন্নয়ন সাধন কৰিবলৈ কেনেকুৱা চিন্তা কৰা হৈছে সেইটো বাজেট বক্তৃতাত উল্লেখ পাব। যদি আমি অনুভব কৰামতেই হয়, তেন্তে প্ৰতিষ্ঠিত আৰু চলিত শিক্ষানুষ্ঠান সমূহৰ সা-সুবিধাৰ কাৰণে শিক্ষাত বিভ্ৰান্তহে আনিব। স্বাস্থ, সমন্ধে চৰকাৰে লোৱা বিভিন্ন আঁচনি সমূহ নিশ্চয় বৈপ্লবিক আচনি - আৰু ইয়াৰ দ্বাৰা স্বাস্থ্যৰ ক্ষেত্ৰত অনুভব হোৱাকৈ উন্নতি সাধন হৈছে, তাত সন্দেহ নাই। কিন্তু বৰ্তমানে ইয়াৰ সম্প্ৰসাৰণতকৈ গুনগত মান বৃদ্ধিৰ বাবে অধিক নজৰ দিব লগা হৈছে। ডঙৰ আচনি আৰু ডাঙৰ ক্ষেত্ৰবোৰৰ বিষয়ে মই কব নোখোজোঁ—মই কব খুজিছোঁ—সুসজ্জিত মেডি-কেল কলেজ আৰু হাস্পতাল সমূহে চুকি নোপোৱা সৰ্ব্বসাধাৰণ শ্ৰেনীৰ মানুহৰ কথা—যাৰ বাবে ডাক্তৰখানা আছে ডাক্তৰ নাই। ডাক্তৰ আছে যদি—থাকিবলৈ ঘৰ নাই। ৰোগীক চোৱাৰ ব্যৱস্থা আছে কিন্তু ঔষধ নাই- যত ঔষধ আছে, তাত দিওঁতা নাই।

আজি এই অধিবেষনত আমাৰ যিটো আয়-ব্যয়ৰ হিচাব সেই বিষয়ে আমাৰ বিত্তমন্ত্ৰীয়ে যি বাজেট খন দাখিল কৰিছে আৰু তেখেতে যি বক্তৃতা দিছে তাৰ ভিতৰত আজি ৪ দিন হল ইয়াৰ ভিতৰত আমাৰ কেইজনমানৰ বাহিৰে এই আয়-ব্যয়ৰ বিষয়ে যি ভাষণ দিছে ২/১ জনৰ বাহিৰে বাকী বিলাকে মেলা চিকাৰত হাতী খেদা দি ফুৰিছে। মহোদয় ময়ো মেলা চিকাৰলৈকে যাবলৈয়ে থিয় হৈছো। এই মেলা চিকাৰত কেবল শুনিলো মাটি—মাটি, শিক্ষা—শিক্ষা, বাজেট ঘাটি—বাজেট ঘাটি। সেইটোৰ বাহিৰে আৰু একো হোৱা নাই। আজি তিনি বছৰে ঘাটিয়েই শুনিছো ৰাহি কেতিয়াও শুনিবলৈ পোৱা নাই। আমাৰ এই কালচোৱাত আৰু দুই বছৰ বাকী আছে এই দুই বছৰতে ৰাহী বাজেট পাম বুলি আশা কৰিছো।

*Speech not corrected

নহলে মই আগতে কৈ গৈছোময়ো মেলা চিকাৰ কৰিবলৈকে ঠিয় হৈছো আৰু ইয়াৰ আগতেও কৈ গৈছে তাতে এই ক্ষেত্ৰতে অপচয় হৈছে লগতে ময়ো কৈছো সচাঁকৈয়ে বহু ক্ষেত্ৰতে ধনৰ অপচয় হৈছে। আমি যিবিলাক ৰাস্তাৰে অহা যোৱা কৰিছো P. W. D. এ সেই ৰাস্তা বিলাকৰ কাৰণে মাটি দিওতে ১০ গুন খৰছ হৈছে এই মাটি বিলাক আনোতে বহু দুৰৈৰপৰা আনিব লগা হৈছে এনে ধৰণৰ দৃষ্টান্ত নগাওঁলৈ যাওঁতেই দেখিবলৈ পোৱা যায়। এনেধৰণৰ অপচয় হোৱা একমাত্ৰ কাৰণ হল যে আমাৰ কোনো কামেই পৰিকল্পিত আচনিৰ জৰিয়তে হোৱা নাই। এই কাম বিলাকৰ ধৰণ কৰণ দেখিলে এই কথা-টোৱেই পৰিলক্ষিত হয়। এই ঘাটি বাজেটৰ সম্পৰ্কত মই আমাৰ বিত্তমন্ত্ৰীক এটা পৰামৰ্শ দিব খোজো সেইটো হল মই জনাত আমাৰ ভাৰতৰ বহুত ঠাইত এটা বাজেট কমিটি থাকে। এনেধৰণৰ কমিটি এটা যদি আমাৰ ইয়াতো থাকিল হেতেন তেন্তে বোধকৰো এনেধৰণৰ অৱস্থা এটা নহল হেতেন।

আজি শিক্ষাৰ ক্ষেত্ৰত নিয়োগ আৰু বদলি ইত্যাদিৰ ক্ষেত্ৰত বহুতো বেমেজালী হৈছে আৰু এই বেমেজালী বিলাকৰ কাৰণেই এই শিক্ষাৰ বিষয়টো পাচ পৰি গৈছে। মই এটা উদাহৰণকে দিও যে কিছুদিন আগতে কেইজনমান ইনিচপেক্টৰক বদলি কৰাৰ খবৰ পালো কিন্তু তেওঁলোকে আজিলৈকে সেই ঠাইৰপৰা লৰচৰেই কৰা নাই। এইটো সচাঁকৈ বৰ দুখৰ কথা যে সকলোবোৰ order গৰ্ভনৰ নামত কৰে আৰু গৰ্ভনৰৰ order কোনেও নামানে। চৰকাৰে এই কথা বিলাকৰ বিচাৰ কৰিব বুলি আশা কৰিলো।

Industry ত অসমৰ কিমান লাভ হৈছে সেইটো ও এটা ভাবিব-লগীয়া কথা। সেই বিষয়ত আমাৰ ডেকা মন্ত্ৰীজন মোৰ তালৈ গৈছিল তেতিয়া মই তেখেতক কেইটামান কথা কৈছিলো। অৱশ্যে

এতিয়া সেই কথা বিলাক কাগজত নামটো উথাবলৈহে কৈছো নহলে মোৰ সমষ্টিৰ মানুহে মোক নোকোৰা বুলিয়েই ভাবিব।

( হাঁহি )

অ আমাৰ বকুৰা আহিছেই-তেখেঁতৰ এই prohibition ৰ বিষয়ে মই সিদিনাও অলপ কথা কম বুলি ভাবিছিলো পিচে প্ৰশ্নটো উঠাতে মই নিজেই হয়তো নাছিলো গতিকে কোৱাৰ সুবিধা নহল (Voice) আপুনি opium prohibition ৰ কথা কব নেকি ?)

নহয় মই সেই পানী টোপাৰ কথাহে কৈছো—সেই মদৰ বিষয়ে।

( হাঁহি )

পিচে চৰকাৰে কামৰূপ নগাওঁতে অকল মদ নিৰ্বাৰণ কৰি কি কৰিছে প্ৰায় ভাগতে শুনিছো তাত চোৰাং মদ ধৰিছে। যদি সেইটোৰেই হয় তেন্তে এফালে চৰকাৰৰ ভৰাললৈ কম ধন আহিছে আৰু আমাৰ বেচি পইচা দি খাবলৈ লগা হৈছে। গতিকে একেবাৰে উঠাই দিয়ক আৰু নহলে গোটেই অসমতে বন্ধ কৰি চোৰাং বেপাৰটো বন্ধ কৰক।

Shri Kamakhya Prasad Tripathi ( Minister ) : আপোনাৰ মতে কি কৰিলে ভাল হয় ?

Shri Bhadra Kanta Gogoi : মই উঠাই দিলেই ভাল পাওঁ।

( হাঁহি )

এনেকৈ বেচি পইছা দিবলৈ হলে আমাৰো লোকছান আৰু চৰকাৰৰো ৰাজ্যৰ লোকচান।

এতিয়া কৃষি মন্ত্ৰী আহিছে যেতিয়া এটা কথা কওঁ—সাৰ দিলে খেতি নহয়। ট্ৰেক্টৰ দিছে সেই বিলাকৰ পৰা পইচাৰ খৰছ অথচ খেতি কৰিব নোৱাৰে। মই নিজেই শাকৰ খেতি কৰিলো বৈজ্ঞানিক সাৰ দিয়াৰ ব্যৱস্থা কৰিলো কিন্তু এনেয়ে যিখিনি হল তেতিয়া সেই খিনিও নহল। মই জলন্ত প্ৰমাণ এটা দিও Assembly Hostel ত শ্ৰীবিমল গোস্বামীয়ে কবিৰ খেতি কৰিলে বৈজ্ঞানিক সাৰ দি, কবি নহৈ লাই শাক হ'ল।

(Voice সাৰ দিয়াৰ পদ্ধতিতো আপুনি জনা নাই)

মোক যেনেকৈ শিকাই দিছে মই তেনেকৈ দিছো। ধৰক এতিয়া Supper phosphate ১৭ Amonium sulphate ১৩ আৰু গোৱৰ ৩৩ মোন দিবলৈ কৈছে মই তেনেকৈয়ে দিছো পিছে ইমান বিলাক গোবৰ দিলে দেখোন এনেয়ে হব এই বৈজ্ঞানিক সাৰ বিলাক দিয়া কাৰণেহে নহল। পিচে ধানত হলে ভাল পাইছো দেই। পিচে মন্ত্ৰী যিখিনি ঠাইলৈ গৈছিল, সেই ঠাইৰপৰা মোৰ ঘৰলৈ ১½ মাইল হয় গতিকে মই তেখেতক মাতিছিলো, তেখেত গলে মই দেখুৱাই দিলোহেতেন।

এই বিলাক কথা সতিনীয়ে কাজিয়া কৰাৰ নিছিনা কথা হৈছে। উপাধ্যক্ষ মহোদয় আৰু এটা কথা মোৰ ওচৰত স্পষ্ট হোৱা নাই যে এই গাওঁবুঢ়া বিলাকৰ Nominated হব নে Eleted হব? যদি Nominated হয় তেনেহলে এই গাওঁবুঢ়া বিলাক চৰকাৰৰ চকীদাৰৰ নিচিনা হৈ থাকিব লাগিব।

(সময়ৰ সংকেট)

উপাধ্যক্ষ মহোদয়, আৰু এটা কথা কৈ মই সামৰণি মাৰিম। মই মেলাচিকাৰত যাব নোখোজো মাত্ৰ এটাই কথা কম। ৰাজ্যপালৰ ভাষনত আৰু ৰাজেটত পশ্চিমবঙ্গৰ কথা কৈ

ৰাজ্যপালে আমাৰ চৰকাৰ সাবধান হোৱা বুলি কৈছে। কাৰণ আমাৰ চৰকাৰেও ভয় পাইছে। মই চৰকাৰ ভাঙিম বুলি কোৱা নাই কিন্তু দুৰ্নীতি পৰায়ণ চৰকাৰ ভঙাত মোৰ সমৰ্থন আছে। মোৰ মতে দলতকৈ চৰকাৰ ডাঙৰ। আমি লাচিতৰ বংশধৰ, দেশৰ সংহতি ভাঙিবলৈ যদি কোনো দলে বিচাৰে তেন্তে কেতিয়াও আমি সেই দলক সমৰ্থন কৰিব নোৱাৰো। যদি সেই সপোন কোনোবাই দেখিছে সি ডিঠকত পৰিণত হব নোৱাৰে সেইটো আমি হবলৈ দিব নোৱাৰো।

*Shri Puspadhar Chaliha : মাননীয় উপাধ্যক্ষ মহোদয়, এই সদনত ১৯৬৯ ৭০ চনৰ যি বাজেট ডাঙি ধৰিছে সেই বাজেটৰ ওপৰত এই সদনৰ মাননীয় সদস্যসকলে বিভিন্ন সমালোচনা আগবঢ়াইছে। তাৰ পিচত কবলগীয়াও বিশেষ নাই। কেৱল বিত্তমন্ত্ৰীয়ে ৫০ কোটি টকাৰ ঘাটি বাজেট এখন দাঙি ধৰিও যে কোনো কৰ-কাটল দুখীয়া ৰাইজৰ ওপৰত লগোৱা নাই তাৰ বাবে মই বিত্তমন্ত্ৰী ডাঙৰীয়াৰ শলাগ লৈছো, অসমবাসী সদৌ অসমবাসী ৰাইজৰ হৈ মই শলাগ লৈছো।

Shri Gauri Sankar Bhattachayya : Deficit বাজেট মানেইটো দুখীয়া ৰাইজৰ ওপৰত কৰ!

Shri Puspadhor Chaliha : আজিৰ আমাৰ অতীত বৰ্ত্তমান আৰু ভবিষ্যত আৰু আমাৰ এই ২১ বছৰীয়া স্বাধীনতাৰ কালত আমি কিমান আগবাঢ়িছো তাৰ ওপৰতে আমাৰ এই বাজেট খন নিৰ্ভৰ কৰিছে। আমি চিন্তা কৰি দেখিবলৈ পাইছো যে আজি স্বাধীনতাৰ ২১ বছৰ পিচত ৰত্নগৰ্ভা অসমক যিখিনি বস্তুৰ প্ৰয়োজন সেই খিনি বস্তু অসমতে পোৱা কৰিব পৰা নাই। মই দৃষ্টান্ত

*Speech not corrected

স্বৰূপে কওঁ যে যিবিলাক নিত্য প্ৰয়োজনীয় সৰু সৰু বস্তু আমি অলপ চেষ্টাতে কৰিব পাৰো সেই ধৰণৰ বস্তু তৈয়াৰ কৰা শিল্প প্ৰতিষ্ঠা কৰিব পাৰো সেই বিলাক আজি আমি ৩টা পৰিকল্পনৰাৰ পিচতো কৰিব পৰা নাই। মই উদাহৰণ স্বৰূপে চূনৰ কথা কওঁ যে Lime stone Industry আমি কৰিব পৰা নাই যদিও আমাৰ চূন শিল বহুতো আছে। সেই চূন খোৱা আৰু ঘৰৰ ৰং দিয়া কামত ব্যৱহাৰ কৰা হয় কিন্তু কোনো Industry কৰিব পৰা হোৱা নাই। অসমত ভাৰতৰ ½ ভাগ চূন শিল আছে যদিও অসমৰ ৰাইজে তাৰ কোনো শিল্প প্ৰতিষ্ঠা কৰিব পৰা নাই। ঠিক সেই ৰকমে আমাৰ glass factory ও হোৱা নাই। প্ৰাকৃতিক সম্পদ থকা স্বত্বেও এই কামত আগবাঢ়িব পৰা নাই। চিলিমাইট আমাৰ ইয়াত যথেষ্ঠ আছে যদিও তাৰ কোনো শিল্প প্ৰতিষ্ঠা কৰিব নোৱাৰাৰ কাৰণে লাখ লাখ কোটি টকাৰ বস্তু আমাৰ অসমলৈ আহিব লাগিছে।

আজি আমাৰ কয়লা প্ৰচুৰ আছে। গাৰোহিলচ্‌ৰ কয়লা বিলাক উলিয়াব পৰা নাই। সেই কাৰণে বাহিৰৰ পৰা বিহাৰৰপৰা কয়লা আনিব লগীয়া হৈছে।

(Avoice : বাহিৰৰ পৰা কয়লা অসমলৈ নাহে)

তাৰ পিচত গোৱালপাৰাত আমাৰ লোৰ খনি আছে। এইবিলাক প্ৰাকৃতিক সম্পদ আমাৰ হাতত থকা স্বত্বেও আমি শিল্প ক্ষেত্ৰত আগবাঢ়িব পৰা নাই। আমাৰ অৰ্থনৈতিক গাঠনি সেই কাৰনেই ফুটা—কলহৰ পানীৰ দৰে তললৈ গৈ আছে আৰু আমাৰ জনমূৰি আয় বঢ়াব পৰা নাই।

ঠিক সেইৰকমে আমাৰ দ্বিতীয় তেল শোধনাগাৰৰ দাবী আহিছে সেই দাবী কেন্দ্ৰই উলাই কৰিছে আৰু গেলেকীত যি কলীয়া তেলৰ উদঘাটন হৈছে সেই গেলেকীৰ তেলৰ ওপৰত অসমৰ অৰ্থনৈতিক

অৱস্থা বহুখিনি নির্ভৰ কৰিছে। ইয়াৰ ওপৰত অসমৰ নিবনুৱা সমস্যাও বহুখিনি নির্ভৰ কৰিছে। আজি O. N. G. C. এ অসম বাসীক জনাব লাগে যে গেলেকী, ৰুদ্রসাগৰ, মৰান, নাহৰকটিয়া, গৌৰীসাগৰ আদিত যি পৰিমানৰ তেলৰ খনি অসমত আছে তাৰে ৫০ বছৰ ভাৰতবৰ্ষক তেলৰ যোগান ধৰিব পাৰে। এইটো কথালৈ মই কেন্দ্রীয় চৰকাৰৰ দৃষ্টি আকর্ষন কৰিলো যাতে তেওঁলোকে অসম চৰকাৰৰ লগত আলোচনা কৰি দ্বিতীয় তেল শোধনাগাৰ অসমত তৈয়াৰ কৰে। শিল্প প্রতিষ্ঠাৰ কাৰণে যি লাইচেন্স দিয়া হৈছে সেই লাইচেন্সৰ কথা এই সদনত সমালোচনা হৈছে। সেই লাইচেন্সৰ ওপৰত ভাৰত চৰকাৰে লাভ কৰিছে।

Assam Mining Corporation হৈছে কিন্তু তাতো লক্ষ্য অনুসৰি আগবাঢ়িব পৰা নাই। সেই কাৰণে Assam Mining Corporation ৰ কোনো কাম হোৱা নাই। সেই কাৰণেই Assam Small Scale Industry ৰ যি জন Director আছে তেওঁ দেশবাসীৰ কাৰণে কি কাম কৰিছে তাৰ কোনো লক্ষণ দেখা নাই। A. G. C. C.ত কেইজনমান Retired Manager Director হৈ আছে তেওঁৰ অনুপ্রেৰনা নাথাকে কিয়নো তেওঁ দিন লেখি আছে কেনেকৈ পইচা লৈ দৰমহালৈ দিন কটাব পাৰে—। তেওঁ কেনেকৈ কৰ্ম্ম পিপাসু হৈ অসমক তথা অসম বাসীক লাভজনক কৰিব পাৰে—? এই বিলাকৰ সপক্ষে কোনো যুক্তি আমি মানিব নোৱাৰো।

আমাৰ কৃষিৰ ক্ষেত্রতো আমি একো উন্নতি কৰিব পৰা নাই। নতুন কৃষি আচনিৰে খেতিয়ক সকল উপকৃত হোৱা নাই। গতিকে মই কৃষিমন্ত্রী মহোদয়ক অনুৰোধ কৰো যেন এই বিলাকৰ প্রতি নজৰ দিয়ে। এই বিলাকত প্রচুৰ টকা খৰচ কৰিলেও আমাৰ জনসাধাৰণৰ যদি সহায় সহযোগ নাথাকে এই আচনি কৃতকাৰ্য্য হব নোৱাৰে—। আমাৰ কৃষক ৰাইজক এই বিষয়ে বুজাব লাগে।

তাৰ পাচত আমাৰ প্ৰশাসনী সন্ত্ৰটো এনেকুৱা হৈছে যেন কাৰো যেন কোনো দায়িত্ব নাই। ওপৰৰ পৰা চাই চাই তলৈকে কোনো এখন কাগজ বিচাৰি পাবলৈ নাই। আনকি মন্ত্ৰীসকলৰ হুকুম পৰ্য্যন্ত ২/৩ বছৰ ধৰি পৰি থাকে। শেষত গৈ সেই হুকুমৰ কাগজ waste paper busket তলৈ পৰি যায়। এই কথা কোনেও গম নাপায়। দুখ লাগে, বেজাৰ লাগে যে জনসাধাণৰ শ্ৰমো আৰ্জ্জিত ধন ব্যয় কৰিও জনসাধাৰণক উপকৃত কৰিব পৰা নাই। এই সম্পুৰ্কে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। তাকে নকৰিলে আমাৰ মন্ত্ৰী মহোদয়ে বা চৰকাৰে ৰাইজক ভৱিষ্যতে কৈফিয়ৎ দিব নোৱাৰিব। সেইকাৰণে এই বিষয়ত অৰ্থ্যাৎ প্ৰশাসনীয় বিষয়ত কঠোৰ ব্যৱস্থা লবলৈ বিভাগীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষন কৰিলো। আজি আমাৰ যি বিলাক Red tapesiom মানে ৰঙা ফিটাৰ মেৰ পাক আছে সেই বিলাক স্বাধীনতাৰ ২১ বছৰৰ পাচতো এই ভুল বিলাক অনুসন্ধান কৰিবলৈ চৰকাৰৰ দৃষ্টি আকৰ্ষন কৰিলো। বিভিন্ন বিষয়ত আজি চৰকাৰ অকৃতকাৰ্য্য হৈছে— তেওঁলোকে কাৰ্য্যত পৰিণত কৰিব পৰা নাই। এই কাৰণে আজি যিটো Beerocratic Setup হৈছে সেইটোৰ যদি পৰিবৰ্ত্তন নহয় তেনেহলে আমাৰ বিভিন্ন পৰিকল্পনাবোৰত আপোনালোক কৃতকাৰ্য্য হব নোৱাৰিব।

সৰ্ব্বশেষত মই মোৰ সমষ্টিটোৰ কথা কওঁ। এই প্ৰসংগতে মোৰ সমষ্টিটোৰ প্ৰতি চৰকাৰৰ দৃষ্টি আকৰ্ষন কৰিলো। মই এনেকুৱা এটা সমষ্টিৰ পৰা আহিছো যে যিটোক একেবাৰে দুৰ্ভগীয়া বুলি কব পাৰি। যত নেকি আধা মাইলো চৰকাৰী ৰাষ্টা নাই। ইফালে মোৰ সমষ্টিৰ গাতে লাগি থকা শিৱসাগৰ সমষ্টি, তিয়ক সমষ্টি, নাজিৰা সমষ্টি, আৰু সোনাৰী সমষ্টিত ১২৮/১৩০/.৩২ মাইল চৰকাৰী ৰাষ্টা আছে। কিন্তু আমগুৰি সমষ্টিৰ কথা কওঁ শুনক তেওঁলোকে আমাক বুজাবলৈ আহে অমুক দিছো, আপোনাৰ সমষ্টিত তমোক দিছো। কিন্তু মই challenge কৰিছো

আমগুৰি সমষ্টিৰ পাচঁটা মৌজাত আন আন সমষ্টিৰ তোলনাত একোৱেই কৰা নাই। মই গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো মোৰ এই সমষ্টিটো কিয় ইমান অবহেলিত হৈ আছে তাৰ অৰ্থ উলিয়াই দিব লাগে।

তাৰ পাছত স্বাস্থ্যৰ বিষয়ে চাবলৈ গলে এই আমগুৰি সমষ্টিটোত একো উন্নতি হোৱা নাই। যিটো সমষ্ঠি নগাৰাজ্য আৰু অসম ৰাজ্যৰ দুৱাৰ দলিৰ নিচিনা। তাত এখন civil Hospital নাই। তাত এটা Inspection বাংলা নাই। নগা ৰাজ্যৰ আৰু অসম ৰাজ্য Boundary এই আমগুৰিত এটা Inspection Bunglo নাই। এই বিলাকৰ প্ৰতি যি অবহেলা তাৰ কাৰণে চৰকাৰৰ দৃষ্টি আকৰ্ষন কৰিছো।

(Bell)

উপাধ্যক্ষ মহোদয় আপুনি শুনিলে আচৰিত হব যে নগালেণ্ডৰ Boundary Gate আমগুৰিৰ মাত্ৰ ১৩ মাইল। ইয়াত এখন Transport ৰ Sign board ত লিখা আছে Transport Office। এই ১৩ মাইল ৰাষ্টা যোৰহাট P.W.D. ৰ তলত আৰু আমগুৰি 'ষ্টেচন' ভিতৰত পৰে। কিন্তু এই ৰাষ্টাৰ এক অংশ নগালেণ্ড চৰকাৰে কেনেকৈ তেওঁলোকৰ অঞ্চল বুলি দাবি কৰিছে, এই ৰাষ্টাৰ বাবে হস্তক্ষেপ কৰিছে। এই কথা মই কৃষি মন্ত্ৰী, উপ দলপতি বা ৰাজহ মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষন কৰিলো।

তাৰ পাচত মই শিৱসাগৰ জিলাৰ কথালৈ আহো। আজি শিৱসাগৰীয় ৰাইজৰ দাবি হৈছে যে শিৱসাগৰ জিলা প্ৰৰ্য্যায়লৈ আনিব লাগে যাতে তাৰ কিছু উন্নতি হয়। তাৰ সকলো সুবিধা চৰকাৰে কৰি দিব লাগে। আজি শিৱসাগৰ মহকুমাক মাহী আইৰ মৰম'ৰ চকুৰে চাইছে। যাই হওক এই বিলাকৰ কাৰ্য্যকৰী ব্যৱস্থা লব লাগে। আমাৰ মৰান খণ্ডলৈয়ো চৰকাৰে চকু দিব

লাগে। আৰু শিৱসাগৰৰ পৰা ডিব্ৰুগৰলৈ যিটো ৰেল লাইনৰ দাবি আছে সেইটো আকৌ মই সদনত উপাধ্যক্ষ মহোদয়, অ পোনাৰ জৰিয়তে চৰকাৰৰ দৃষ্টি আকৰ্ষন কৰি তাৰ পাচত শিৱসাগৰ কছাৰি ঘৰ, আৰু Civil Hospital ৰ কথা কওঁ। এই কছাৰি ঘৰটো আৰু Civil Hospital টো পদৰ্শনিত পৰিণত হৈছে। আজি অসমৰ নতুন কৈ গঢ়ি উঠা নগৰ বিলাক যেনে কোকোৰাজাৰ, নলবাৰী, ধুনীয়া ধুনীয়া নগৰত পৰিনত হৈছে। আজি শিৱসাগৰ জিলাৰ কছাৰি ঘৰত হাকিম বহিবলৈ ঠাই নাই — .D.O কছাৰি ঘৰৰ বাৰাণ্ডাত বহি থাকে।

উপাধ্যক্ষ মহোদয়, শিৱসাগৰ জিলাৰ যিটো ৰজা দিনীয়া পুখুৰী আছে সেইটো চাবলৈ বিভিন্ন দেশৰ Tourist আহে। সিদিনা কেইজনমান আমেৰিকান Tourist এ এই পুখুৰীটো দেখি কৈছিল--"Such a beautiful tank no where in the world"। এই কথা তেওঁলোকে প্ৰকাশ কৰিছে। আৰু কৈছে যে এনে ধুনীয়া বস্তু বিলাক কিয় এতেকৈ অবহেলিত হৈ আছে। এই বিলাক সংগ্ৰহ কৰি ৰাখিব নোৱাৰাটো বৰ পৰিতাপৰ বিষয়।

Electricity ৰ জৰিয়তে যি বিলাক ঠাইত উন্নত কৰিব পৰা যায় সেই বিলাক ঠাইত Electrification নোহোৱাটো বৰ দুখৰ কথা এই বিষয়ে মই বিভাগীয় মন্ত্ৰীৰ দৃষ্টি আকৰ্ষন কৰিলো। আৰু বিশেষকৈ দৃষ্টি আকৰ্ষন কৰিছো যি বিলাক Electricline যি বিলাক পথাৰৰ নিছে তাত lift irrigation পানী যোগানৰ ব্যৱস্থা কৰি খেতি আৰু খেতিয়কৰ উপকাৰ কৰিবলৈ কৃষিমন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষন কৰিলো।

(Bell)

উপাধ্যক্ষ মহোদয়, কবলগীয়া বহুত আছিল। সময়ৰ নাটনিৰ কাৰণে কব পৰা নহল। এই বিলাক বিভিন্ন বিষয়ত চৰকাৰৰ

দৃষ্টি আকৰ্ষন কৰিছো। আমি আজি সদস্যসকলে ভয়ে ভয়ে কথা কওঁ। কাৰণ মন্ত্ৰী সকলে ভাবে যেন আমি পৃথিবীৰ কথা একোৱেই নাজানো। তেওঁলোক মন্ত্ৰী হল যেতিয়া তেওঁলোকেহে সকলো জানে আৰু তেওঁলোক জনসাধাৰণৰ বহু ওপৰত। আমি ৰাইজৰ প্ৰতিনিধি। আমাৰ দায়িত্ব আছে, আমাৰ কৰ্ত্তব্য আছে। আমি ৰাইজৰ কাম কৰিবলৈ আহিছো। আমাৰ দেশ প্ৰেমো তেওঁলোকতকৈ কম নহয়। যদি তেখেত সকলে ভাবে যে তেখেত সকলহে কাম কৰিবলৈ আহিছে আৰু তেখেতসকলেহে সকলো জানে তেন্তে তেওঁলোকলৈ মোৰ পুতৌ হে উপজে। ইয়াকে কৈ মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

*Shri Mera Chauba Singh : মাননীয় উপাধ্যক্ষ মহোদয়, বিত্তমন্ত্রী মহোদয়, ১৯৬৯-৭০ সালের যে বাজেট উত্থাপন করিয়াছেন তাহা ঘাটতি বাজেট। শুধু আসামেই ঘাটতি বাজেট নয় সমগ্র ভারতবর্ষের ভিন্ন ভিন্ন প্রদেশেও ঘাটতি বাজেট হইয়াছে। কারণ ইহা সর্বভারতীয় আর্থিক সংকটের প্রশ্ন। আসামের বর্ত্তমান আথিক অবস্থায় ইহার চেয়ে ভাল বাজেট পেশ করার ক্ষমতা আমাদের সরকারের নাই। এইজন্য বিত্তমন্ত্রী মহোদয়কে অভিনন্দন জানাই।

এখন আমি কাছাড়ের কিছু সমস্যা পেশ করিতে চাই। দেশ বিভাগের পর কাছাড়ের লোক নানা ক্ষতিগ্রস্থ ও অসুবিধার সন্মুখীন হইয়াছেন। সুতরাং কাছাড় ক্ষেত্রে আরও বিশেষ সাহায্য দেওয়া অত্যন্ত ন্যায় সঙ্গত। দেশ বিভাগের পর কাছাড় উপেক্ষিত রহিয়া গিয়াছে। তথাপি সুখের বিষয় বর্ত্তমানে কাছাড়ে E & D কৃষি, শিক্ষাও P. W. D. বিভাগের কাজ আরম্ভ হইয়াছে। কাছাড়ের ছাটাই বা শ্রমিকদিগকে কাজও ভূমি দিবার জন্য আমি সরকারকে অনুরোধ করি।

*Speech not corrected

সংখ্যালঘু ভাষা ভাষি লোকের প্রাইমারী শিক্ষা সুবিধার জন্য যে স্কুলে ২০/২৫ জন ছাত্র-ছাত্রী আছে, সেই স্কুলে সেই ভাষা-ভাষির শিক্ষক দেওয়ার জন্য আমি সরকারকে অনুরোধ করি।

কাছাড়ে কৃষির ক্ষেত্রে উন্নতি চেষ্টা চলিয়াছে। কৃষির ক্ষেত্রে কাছাড়ের লক্ষীমপুর জোনাই আঞ্চলিক পঞ্চায়েতে ভূমিকা উল্লেখযোগ্য। আমার নিজের সমষ্টিতে উন্নতি ক্ষেত্রে আমি লক্ষীপুর আঞ্চলিক পঞ্চায়েতের বিনা প্রতিদ্বিতায় নির্বাচিত সুযোগ্য সভাপতি মুদছির আহমদের সহযোগিতায়ে সম্প্রতি কাস্তানপুরে এক কৃষি সন্মিলনী হইয়াছিল। সেই সন্মিলনীত কৃষি বিভাগর কর্মচারীদের সহযোগীতার জন্য আমি কৃষি মন্ত্রীকে ধন্যবাদ জানাইছি। উক্ত সন্মিলনীর প্রস্তাবদিকে কার্যকরী করার জন্য কৃষি মন্ত্রীকে বিশেষ অনুরোধ জানাইতেছি।

কাছাড় শিল্পের ক্ষেত্রে অত্যন্ত অনগ্রসর, কাছাড়ে কাগজের কল স্থাপন করে অত্যন্ত আবশ্যক। আমি আশাকরি আমাদের সরকার বিলম্ব না করিয়া কাছাড়ে Paper Mill স্থাপন করিবেন আর বেশী না বলিয়া অমি আমার বক্তব্য এখন শেষ করিলাম। জয়হিন্দ।

*Shri Lakhyadhar Chaudhury : উপাধ্যক্ষ মহোদয়, আজি বৃহস্পতি বাৰ, বাৰ বেলাত উঠিছোঁ। কাঁড় কাৰফালে যায় কব নোৱাৰোঁ।

আগৰবাৰ বাজেট আলোচনাৰ সময়ত মই কৈছিলোঁ যে, সেইখন বাজেট দেৱলীয়া দোকানৰ শেষ খতিয়ান।

আজিৰ বাজেটখন, সিবাৰেই যেতিয়া সকলো শেষ কৰিছে এইবাৰ এনেকুৱা অনুমান হৈছে যে অথাৎ আমাৰ সমাজবাদ

*Speech not corrected

বা প্ৰগতিৰ ক্ষেত্ৰত এই বাজেট বক্তৃতা যিখিনি হৈছে, মুখাগ্নিৰ আগত উচ্ছাৰণ কৰা মন্ত্ৰ

( voice – মুখাগ্নি মানে কি—বুজাই দিয়ক )

মুখাগ্নি মানে চিতাত জুই লগোৱাৰ আগতে মন্ত্ৰ আদি পঢ়ি মানুহৰ মৰাশৰ মুখত জুই দিয়া কাৰ্য্য।

ইয়াৰপৰা এইটো পৰিলক্ষিত হয় যে, সমাজতান্ত্ৰিক সমাজবাদৰ ভেটি গঢ়িবৰ কাৰণে কংগ্ৰেছ চৰকাৰে আগবাঢ়ি অহা নাই। মোৰ পূৰ্ব্ববৰ্ত্তী বক্তাসকলে এই প্ৰসঙ্গত বহুতো কৈছে আৰু বিশেষকৈ বিতমন্ত্ৰী শ্ৰীযুত ত্ৰিপাঠী ডাঙৰীয়াও বাজেটত তেখেতৰ কৃতকৰ্ম্মৰ ফল্ল কেনেধৰণৰ হৈছে, সেই বিষয়ে Industry বিভাগ Electricity Board আৰু উদ্যোগ বিলাকৰ বিষয়ে মই কিছুকমা তেখেতে কৈছে মিতব্যয়ী হলে ভাল হয়। মই কব খুজিছো উপদেশতকৈ উদাহৰণহে ভাল। মন্ত্ৰীসকলৰ ভ্ৰমণ বেছি হয়। মই সেই প্ৰসঙ্গত কওঁ যে যদি মন্ত্ৰীসকল কামত যায়, তেন্তে তাত কবলগীয়া একো নাই। কাৰণ মন্ত্ৰী হৈছে যেতিয়া কাম আছেই। আৰু কামত যাবই। কিন্তু এনে কিছুমান আলাগতিয়াল কামলৈ অনৰ্থক টকা ব্যয় কৰি যেৱা বুলি দুষ্ট লোক সকলে আমাক হকিয়াই কাৰণেই মই এই কথা উল্লেখ কৰি কব খুজিছোঁ যে, যোৱা ২২ ডিচেম্বৰ দিনটো পৃথিবীৰ এটা স্মৰণীয় দিন। যিদিনা আমেৰিকাৰ তিনিজন মহাকাশচাৰীয়ে চন্দ্ৰকক্ষত ভ্ৰমণ কৰিছিল। ঠিক তেনেকৈ আমাৰ তিনিজন মন্ত্ৰী শ্ৰীচলিহা শ্ৰীশৰ্ম্মা আৰু শ্ৰীগোস্বামী তেখেত সকলে চিলঙৰ পৰা গুৱাহাটীৰ অপচৰাত উঠিবলৈ গৈছিল। গুৱাহাটীত এটা চিনেমা ঘৰ উদ্ধোধনৰ কাৰণে তিনিজনকৈ মন্ত্ৰী যায়। তাৰ পিচত 'Apollo—7' ৰ দৰে ত্ৰিপাঠী ডাঙৰীয়াই "অপচৰাৰ" কক্ষপথ ভ্ৰমণ কৰি ঘুৰি আহে। এইবিলাক কথা গুৱাহাটীত আন নহলেও দুষ্ট লোকসকলে কোৱাৰ কাৰণে আমি লাজতে মৰিছোঁ।

Shri Lakshmi Prasad Goswami ( Minister, Agriculture ) ঃ কথাটো হৈছে কেবাজনো মন্ত্ৰী বাহিৰত ভ্ৰমনত আছিল হয়টো আহোতে তাঁত Attend কৰি আহিছে।

Shri Lakhyadhar Chaudhury ঃ ইয়াৰ পিচত উদ্যোগ বিভাগলৈ আহো যে উদ্যোগ বুলীও আমি আচৰিত হও এই কাৰণেই যে উদ্যোগত যি অনুপ্ৰেৰনা থাকিব লাগে আৰু উদ্যোগ কাৰ হাঁতত থাকিব লাগে সেইটো আমাৰ উদ্যোগ বিভাগত নাই।— হয়তো ভুল পৰিকল্পনাৰ কাৰণেই এইটো হৈছে আৰু বহুত উদ্যোগ নষ্ট হৈছে। বিজুলী আৰু উদ্যোগ ভাই ককাইৰ দৰে একে জুৰলীৰ হালোৱা গৰু। আমাৰ উদ্যোগৰ ক্ষেত্ৰত বিজুলীৰ কোনো উল্লেখ নাই— । আমাৰ বিজুলীৰ ক্ষেত্ৰত Electricity Board য়ে বে আইনীভাৱে খৰচ কৰিছে আৰু ঠিক মতে Ba'ance sbcet কৰা নাই তাৰ প্ৰমান ১৯৬২ আৰু ৬৩ চনৰ Audit Report এতিয়ালৈকে Assembly ত দাখীল কৰা নাই। মই সেইটো কৈছো কিয় মোৰ নিজৰ স্বাৰ্থ আছে। —কাৰণে pcwerstation নাৰেঙীত স্থাপন কৰিছিল সেইটো আমাৰ প্ৰধান মন্ত্ৰী ইন্দিৰা বাইদেউয়ে ২৭ ডিচেম্বৰ তাৰিখে মুকলি কৰিছিল।—কিন্তু যেতিয়া চাবলৈ যাও তাত আহি নেদেখো মাত্ৰ ই আহোম ৰজাৰ মৈডান হৈ পৰি আছে কাৰণ সেইটো চলাবলৈ যি তেল প্ৰয়োজন সেই তেল ইয়াত পাবলৈ নাই। অৰ্থাৎ আমাৰ এতিয়া আছে সকলোৱেই ঢোল,— পেঁপা আৰু দৰাও আছে নাই মাত্ৰ কইনা। আজিলৈকে এইটো চলোৱাৰ কোনো ব্যৱস্থা নহল। ঘৰৰ ভাড়াৰ বাবত ২২০০ টকা ইয়াৰ পৰা গৈ আছে —

এতিয়া এই বিভাগৰ কথালৈ আহো, এই এটা যে কেতিয়া হব কব নোৱাৰো। মই ইয়াৰ বিষয়ে ৰাজ্যপালৰ ভাষনৰ ওপৰত হোৱা বিতৰ্কটো কৈছিলো।—আমাৰ ডেকা উদ্যোগ মন্ত্ৰীয়ে এই বছৰ হব বুলি কৈছিল, যদি সেইটোৱেই হয় তেতিয়া হলে

মই তেওঁক চান্দো সদাগৰৰ নিচিনাকৈ বাওঁহাতেৰেই কাগজৰ মালা ডিঙিত পিন্ধাই দিম।

তেওঁলোকে কৈছিল যে Hungary ৰ পৰা expert আনি কৰাব কিন্তু হাঙ্গেৰীয়ান expert নাহিল তাৰ পৰিবৰ্ত্তে কৈছে এতিয়া M/s Ray & co সেই কামৰ ভাৰ দিয়া হয়। Electricity Board ৰ এজন মুখ্য বিষয়াই কৈছিল যে হাঙেৰীৰ পৰা যিবিলাক সা-সৰঞ্জাম আহিছে সেইবিলাকো Rusted। ইয়াত লিখিছে According to the original plan this work should be completed with the supervision of Hunjarian erector who has also given performance guarantee. On seeing the condition of most of the equipments I am not quite confident that M/s Roy and sons will be able to commisision the plant by themself without the help of these experts. এতিয়া হাঙ্গেৰীৰ বুডাপেষ্টৰ পৰা অহা নাই—তেখেতে লিখিছে: Practically no work has been done on the turbinte or generator except they have been shifted to their foundation only. Power machinery and most of the equipments arrived to a rusty stage and a lot of most is found inside them. It is neccssary all this equipments should be completely dismantled that this has been done.

এইটো এতিয়াও কৰা হোৱা নাই। Roy sons company য়েও এতিয়া আতৰি যাব বিচাৰিছে।—সেই কাৰণে মই আগৰেপৰা তদন্ত কমিটি কৰিবলৈ কৈছিলো আৰু উদ্যোগ মন্ত্ৰীয়েও আশ্বাস দিছিল, কিন্তু আমি আচৰিত হৈছো যে চৰকাৰৰ এটা বিভাগ থকা স্বত্বেও বাহিৰৰ Electricity ৰ দ্বাৰা কৰা হৈছে।—এই ২টা আকৌ

কিয় চলাব পৰা নাই ? হয়টো আমাৰ দিনত নহলেও লৰা-ছোৱালীৰ দিনত হব পাৰে। কাৰণ Gauhati Refinaery ত তেল নাই বুলি কৈছে।

Chandarpur, Associated Industry য়ে (এই company টো সাথৰ হৈয়ে থাকিব) ১২'০০ বিঘা মাটি লৈছিল বিঘাত ৩৮ টকাকৈ / তাৰে এডোখৰ মাটিত Electricity Board য়ে তেওঁলোকৰ Sub-station কৰিছে গতিকে Associated Industry য়ে দাবি কৰিছে ১ লাখ টকা,। চৰকাৰে বেদখল কৰিছে বুলি এই Associated Industry টো বৰ আচৰিত ধৰণৰ তেওঁলোকে ২৫ টা spindles আনিব খুজিছে, তাৰ লগতে sulphine acid আৰু fertilizer production ও আছে। যোৱা বছৰ আমাৰ কৃষি মন্ত্ৰীয়ে কৈছিল যে এওঁলোকৰ fertilezer sub standerd সেই কাৰণে চাহ বাগান বিলাকে Rebate পাইছে, কিন্তু আমাৰ Block বিলাকক সেই বিলাক সাৰকে দিছে, সেই কাৰণেই আমাৰ গগৈ দেৱৰ বাগানত বন্ধাকবিৰ ঠাইত পুৰৈ শাক লাগিছে। Associated-Industry য়ে, Electricity Board ক ২ লাখ টকাৰ ১টা ৰাষ্টা কৰি দিছে আৰু গড়কাপ্তানি বিভাগেও ১০ লাখ টকাৰ এটা ৰাস্তা কৰি দিছে। আৰু গৱৰ্নমেন্টেও Assoiciated Industry বিলাকক সুবিধা দিছে। তেওঁলোকে যি মাটি আগতে Govt. ৰ পৰা বিঘাই প্ৰতি ৩৮ টকাকৈ লৈছিল এতিয়া সেই মাটিকে Govt. ক বিঘাই প্ৰতি ৫০০ টকাকৈ বেচিব খুজিছে।

এনেধৰণৰ অবৈধ সমন্ধ তেওঁলোকৰ আৰু Govt. ৰ মাজত গঢ়ি উঠিছে। আনহাতে চৰকাৰৰ I. F. C. ত ল'ন আছে আৰু ইয়াত চৰকাৰৰ লোকচানৰ পৰিমান প্ৰায় ২৪ লাখ টকা। ১৯৬৭ চনৰ "ইলেকচন্ৰ আগে আগে তেওঁবিলাকে এই খবৰ বিলাক Reduce কৰিছে। আৰু Electricity আৰু Revenue dept. টো Land Procuring চলি আছে।

(হাঁহি)

ক্ষুদ্র উদ্যোগৰ কথা আমাৰ মুখ্য মন্ত্ৰী শ্ৰীচলিহা দেৱে কৈছে আৰু তেখেতে ইয়াত সেই বিষয়ে যি কৈছে সেইটো আচল তথ্য নহয় যেন লাগে। অসমৰ ক্ষুদ্ৰ উদ্যোগৰ ক্ষেত্ৰত, ১৯৬৭-৬৮ চনত কি দৰে লাভ কৰিছে। আমি দেখাত প্ৰায় ১৯৬৭ চনৰ পৰা ১৯৬৮ চনৰ মাৰ্চলৈকে প্ৰায় ৪ লাখ টকাৰ লোকচান হৈছে। তাৰ ভিতৰত--কেচা মালৰ ভৰাল গুৱাটীত ১॥ লাখ টকাৰ লোকচান বদৰপুৰত, টেক্সটাইল উদ্যোগত প্ৰায় ৫০ হাজাৰ টকা, তিনিচুকীয়াৰ জেক্স ব'ডত প্ৰায় ৭৫ হাজাৰ, বিজনীৰ জুইশালা কাৰখানাত প্ৰায় ৭৭ হাজাৰ, আয়ুৰ্বেদিক Products ত ২৫ হাজাৰ টকা, নীলাচল কাৰখানাত ৪০ হাজাৰ আৰু গুৱাহাটীৰ গজাল তৈয়াৰত প্ৰায় ৫০ হাজাৰ টকা বাহবেতৰ কাৰখানাত ৯০ হাজাৰ টকাৰ লোকচান হৈছে।

(Avoice ক'ত)

২ কোটি টকাৰ Investment ত আয়ুৰ্বেদিক Product এটিও নাই।

(হাঁহি)

মই দিল্লীৰ পৰা ঘুৰি আহোতে কলিকতাত ডাঙৰ ডাঙৰ মানুহে খোৱা আয়ুৰবেদিক ঔষধ তিনিপালি মোক Tripathy ডাঙৰীয়াই দিলে মই খাই খুব ভাল পালো।

(হাঁহি)

আৰু দৰবটো খোৱাৰ লগে লগে ইমান থক লাগিল যে Plan ত আছি ঘৰ পাই কাপোৰ-কানি নোখোলাকৈয়ে মই ভাতত বহিলো। মই এবাৰ গুৱাহাটীৰ আয়ুবেদীয় Production Factory এটালৈ গৈছিলো। তাৰ মানুহেই মোক M. L. A

বুলি চিনি নাপায়। মই যেতিয়া চ্যাবন প্ৰাচৰ কথা সুধিলো তেতিয়া কলে, এই বিলাক আচঁল ঘিউৰে কৰা চিনঙৈল নিবৰ কাৰণে আৰু এইয়া ডালডাৰে কৰা বাহিৰলৈ পথাবৰ কাৰণে।

(হাঁহি)

মই খাটি ঘিউৰে কৰা এটা বিচাৰিলত কলে যে, এইবিলাক order দিয়া বস্তু আৰু এইবিলাক Manager এ ওজন কৰি থৈছে। আৰু এইবিলাক হেনো মন্ত্ৰীসকলে পাব। গুৱাহাটীত কেইবাজনো আয়ুৰবেদিক আছে। তাৰ ভিতৰত কেইবাজনো অসমীয়া, আৰু হিন্দুস্থানীও আছে। গুৱাহটীৰ Guest house ত যি জন শৰ্ম্মা বুলি এজন কবিৰাজ আছে। সেই Guest house তো Arts and crafts কে দিব পাৰে। সেইজন এজন অৰ্হতা সম্পন্ন কবিৰাজ। তেওঁ ৭/৮ জন মানুহৰ বেমাৰটো ভাল কৰিছে। এবাৰ এজন মানুহৰ এপালি দেৱ ই দিলে আৰু সেই দৰবৰ নিচা থাকে মানে তেওঁ I rawing room ত সোমাই চিগাৰেট খাই আছিল আৰু দৰবৰ নিচা যেৱাৰ লগে লগে তেওঁ Drawing room তে পৰি মৰিল। সেই-কাৰণে Tripathy ডাঙৰীয়াই দৰব দিলে মই আৰু কেতিয়াও নাখাও।

(হাঁহি)

Tripathy ডাঙৰীয়া যেতিয়া Electricity বিভাগৰ মন্ত্ৰী আছিল তেতিয়াই তেখেতে সেই বাজেটৰ বিষয়ে জানিছিল। আৰু তাৰ খুঁট বিলাক এতিয়া ধৰিব পাৰিব লাগিছিল। এতিয়া Shri Tripathy হৈছে বানাসুৰৰ দিনত নতুন ভষ্মাসুৰ। আৰু শ্ৰীচলিহা হৈছে মহাদেৱ। মহাদেৱে ভষ্মাসুৰক বাজেট কৰিবলৈ দিলে আৰু Planning কৰিবলৈ দিলে। গতিকে Planning আৰু কেনেকৈ ভাল হব।

Shri Sadhan Sarkar এ যিটো Mixed Economy ৰ কথা কৈছে, বোধকৰো তেখেতে সেই বিষয়ে ভুল বুজিছে।

এতিয়া আমাৰ উদ্যোগ মন্ত্ৰীয়ে এজন নতুনকৈ Adviser পাইছে। আমি আশা ৰাখিছো তেখেতে নিজ Advice নলৈ উদ্যোগ সম্পৰ্কেও কিছু Advice দিয়াৰ ব্যৱস্থা কৰিছে তাৰ কাৰণে তেখেতলৈ ধন্যবাদ।

আমাৰ অসমত এটা "মিটাৰ Factory আছে আৰু তাৰ নামত চৰকাৰে বহুতো টকাৰ অপব্যয় কৰিছে। মই সিদিনা গুৱাহাটীত মিটাৰে গান গোৱাৰ কথা শুনিলো। যে এঘৰ মানুহত সদায়েই ৰাতি গান গায়।

( হাঁহি )

তেওঁলোকে ভুতে গান গোৱা বুলি ২৫০, টকা খৰচ কৰি নাম ধৰিলে। নাম ধৰাটো গান গাই থকাত এদিন এজন Professor ৰাতি থাকিবলৈ আহি দেখে মিটাৰটো খুব জোৰকৈ ঘুৰিছে আৰু তাৰ ফলতে গানৰ শব্দ আহিছে।

( হাঁহি )

কাৰণ মিটাৰটো জোৰেৰে ঘুৰাত লিক কৰিছে আৰু কিছু Fixtion হৈ সেই শব্দ আহিছে।

( হাঁহি)

মিটাৰটো গৰম হোৱাৰ লগে লগেই গানৰ আৰম্ভ হয়। আনকি আমাৰ ৰাজহমন্ত্ৰীয়েও কৈছিল যে, অলপ গৰম হলে ঘুৰে হয়।

( হাঁহি )

আৰু এনেদৰেই "মিটাৰ Factory ত বহু টকাৰ অপব্যয় হৈছে।

এতিয়া মই অলপ Co-operation সম্পৰ্কে কবলৈ যাওঁতেই সহায়িকাৰ কথা উল্লেখ কৰিম। গুৱাহাটীৰ সহায়িকাৰ যি অৱস্থা তাত Co-operative ৰ কোনো লক্ষ্যই পৰিলক্ষিত নহয়। ইয়াৰ দ্বাৰা জন সাধাৰনৰ মাজতো কোনো Co-operation দেখা পোৱা নাযায়। ৰাজ্যিক Co-operative union খন গুৱাহাটীত আছে। তাত এজন চেক্ৰেটৰী আৰু এজন প্ৰেচিডেণ্ট আছে। Co-operative ৰ Rule মতে এজন মন্ত্ৰী 4 বছৰতকৈ বেছি থাকিব নোৱাৰে। কিন্তু এই কেইজনে জন্মৰে পৰা মৃত্যুলৈকে থাকিব বুলিহে পৰিলক্ষিত হৈছে। কাৰণ এই সহায়িকাটো মৰিবলৈ বেছি দিন নাই। সহায়িকা পৰিচালনাত এখন বৰ্ড আছে। সেই বৰ্ডত এজন প্ৰতাপী নেতা আছে। অলপতে ৩০ হাজাৰ টকাৰ কাপ প্লেট আনিছিল। সেইবিলাক চাহ খোৱাৰ কাৰণে নহয়—কফি খোৱাৰ কাৰণেহে। যেতিয়া কাপ আহি গুৱাহাটী পালেহি তাত দেখে কিছুমানৰ নাল বিলাক ভাঙি আছে। তেতিয়া তেওঁলোকে কলে নাল নোহোৱা বিলাক ক'প আৰু নাল থকা বিলাক কাপ। সহায়িকাত কাপ আৰু ক'প দুয়োটা আছে। ইয়াৰোপৰি সহায়িকাত যিবিলাক Ready made কাপোৰ আছে, সেই বিলাকৰ হাত সোমালে মুৰ নুসুমাই, মূৰ সোমালে হাত নুসুমায়, আৰু পেণ্টটো মূৰেৰেহে সুমাব পাৰি। এইদৰে ৮০ হাজাৰ টকাৰ কাপোৰ নষ্ট হৈ গৈছে।

এদিন সহায়িকাৰ টিনৰ মাংস নিছিলো। তাৰ ইমান গন্ধ যে তাৰ গন্ধত ওচৰৰ উকীলৰ লৰা-ছোৱালীয়ে সোধাত কলো সহায়িকাৰ মাংস। আৰু এইদৰেই Co-operative ত লাখ লাখ কোটি কোটি টকাৰ অপব্যয় হৈছে। কোনোবা অফিচাৰে এই টকা বিলাক অপব্যয় কৰিছে। ইয়াৰ Punishment কি হব?

তাৰ পাচত মই নিয়োগ সম্পৰ্কে কও। আমাৰ নিয়োগৰ ব্যৱস্থা একেবাৰেই কৰিব পৰা নাই। আমাৰ যিবিলাক লৰা Matric পাচৰপৰা B. A. পাচলৈকে চাকৰীৰ কাৰণে Application কৰিব লগীয়া হলে ৩ টকাকৈ Treasury challan কৰিব লাগে। ইফালে চাকৰী পাওক নাপাওক এই ৩ টকা challan দিবই লাগিব। হয়তো কেতিয়াবা চাকৰী পালেও এই তিনি টকাকৈ challan ৰ নামত যিমান টকা খৰচ কৰে সেই টকাতকৈ তেওঁলোকৰ দৰ্ম্মহাৰ টকা কমহে হব।

আমাৰ Health Service Depertment ত অলপ দিনৰ আগতে কেইটামান চাকৰি ওলাইছিল। তাত মই জনাত ১৭/১৮ হাজাৰ মান Applicant আছিল। এই ১৭/১৮ হাজাৰ Applicant ৰ কাকো এতিয়ালৈকে Appointment দিয়া নাই। তেওঁলোকৰ Advertisement টোত বোলে কিছুমান গুল-মাল আছে। কিন্তু ইফালে আমাৰ ডেকা লৰা বিলাকে Appointment পাম বুলি Appointment Letter পাবৰ কাৰণে ডাক ঘৰৰ বাৰাণ্ডাত ঠিয় দি থাকে। Appointment Letter নোপোৱাৰ কাৰণে তেওঁলোকে পিয়ন বিলাকক গালি পাৰে কিয় তেওঁলোকক Appointment-letter আনি দিয়া নাই। সেই দৰে আমাৰ Town planning অফিচতো দুটা চাকৰি ওলাইছিল। তাতো Application Invite কৰিলে challan ললে কিন্তু কাৰো Appoinment নহল। আজি আমাৰ চৰকাৰৰ challan নহলে Application কৰিব নোৱাৰাৰ যি নিয়ম আছে সেইটো উঠাই দিব লাগে। আৰু এই বিষয়ে এটা প্ৰস্তাৱ গ্ৰহণ কৰিব লাগে। কিয়নো আমাৰ এনে কিছুমান লৰা আছে তেওঁলোকে challan ৰ ৩ টকা দিব নোৱাৰাৰ কাৰণেই কতো কোনো চাকৰিৰ কাৰণে দৰ্খাস্ত কৰিব নোৱাৰে। তেওঁলোকে পইচা নোহোৱাকৈ য়ে যাতে দৰ্খাস্ত আদি কৰিব পাৰে তাৰ ব্যৱস্থা কৰি দিব লাগে।

আৰু এটা কথা আমাৰ গুৱাহাটীত এটা Central work shop কৰিছে। সেই ফালৰপৰা আমাৰ ত্ৰিপাঠী চাহাবে। এইটোৰ কামৰ একো নাম গোন্ধেই নাইকীয়া হৈ আছিছে। কেতিয়াবা এইটো মৰি হাজি নাইকীয়া হব। ইয়াত যে কিমান টকা লোকচান হৈছে। তাৰ কাৰণে ৬ নে ৭ লাখ টকাৰ Mechinary আনিবলৈ order দিলে। তাৰে বোলে ৩ লাখনে ৪ লাখ টকাৰ Machinary আনিলে। কিন্তু দুখৰ কথা তাৰো কোনো হিচাব পত্ৰ দেখুৱাব নোৱাৰে। এই Machinary বিলাক পৰি আছে তাত মামৰে ধৰিছে - সেই বিলাক আজিও গুদামতে পৰি আছে। তাৰপৰি এখন Demonstration van আনিলে Demonstration কৰিবৰ কাৰণে। কিন্তু এই খনো আজি অচল হৈ পৰি আছে। এইখন আমাৰ শ্ৰীপ্ৰবিন চৌধুৰীক দি দিয়ক তেখেতে Super Bus এখনকে বনাই লব। এইখন গুৱাহাটী ৰাষ্টত বৈ আছিল Demonstration কৰিবৰ কাৰণে। গুৱাহাটীৰ মটৰ দেখা নেদেখা সকলো মানুহ লৰি আহিল এই van খন চাবৰ কাৰণে। কিন্তু কিয়নো এইখন বৰ ধুনীয়া গাড়ী। কিন্তু এতিয়া সেইখন চলাব নোৱাৰে। সুন্দৰকৈ পৰি আছে—( লাগিলে আপোনালোকে চাওকগৈ ) আমাৰ উদ্যোগ মন্ত্ৰী নতুন মানুহ, ডেকা মানুহ—তেখেতে বেয়া ৰাষ্টাৰে নাযায়, বেয়া কথা নকয়, বেয়া কথা নুশুনে, বেয়া কাম নকৰে। আমি দুষ্ট মানুহ আমি এইবিলাক চাই ফুৰো, কৈ ফুৰো। এই বিলাকৰ বিষয়ে লিখা লিখি কৰো কিজানিবা কিবা হয় ?

আৰু এটা কথা আমাৰ দুই লাখ টকা খৰচ কৰি কমাৰ বিলাকৰ কাৰণে কিছুমান কমাৰ শাল আনিলে। তাৰনো কথা কি কম ( আপোনালোকে বেয়া নাপাব ) তাৰ ফাইল টোকে হেৰুৱালে। তাৰ পাচত আমাৰ এটা Mirror factory আচিৰ কাৰখানা খুলিলে। তাৰ কাৰণে খৰছা কৰিলে এক লাখ টকা। কিন্তু আজি যদি চাবলৈ যায় Mirror factory

নাই এই এক লাখ টকা এনেয়েই নষ্ট কৰিলে। তাৰ পাচত Textile Industry ৰ কাৰণে Import Licence বিচাৰিলে। এই Licence আমাৰ মানুহে নাপালে পালে দিল্লীৰ ৫জন মানুহে। মই উদ্যোগৰ কথা নকও। উদ্যোগৰ কথা কলে আমাৰ উদ্যোগ কমি যাব।

( হাঁহি )

Electricity Board ৰ কথা কি কম? ভাল কথা কলে কোনোবাই Fire হে কৰিব। এই Electricity Board বিলাকৰ ক্ষেত্ৰত কোনো ৰকমৰ তদন্ত আজিলৈকে নকৰিলে। তাৰ আগৰ Secretary জন এজন ভাল মানুহ আছিল। তেখেতে এই সংক্ৰান্তত যথেষ্ঠ লিখা লিখিও কৰিছিল। কিন্তু আমাৰ কাপোৰ মন্ত্ৰী ডাঙৰীয়াই তেখেতৰ কথা নুশুনিলে। তেওঁক warning হে দিলে। কিন্তু আজি তাত যিজন Financial Adviser দিলে তেওঁ বেকা মানুহ। তাত যিজন Acount officer আছে ১৯৭ চনৰ পৰাই তেওঁৰ মনোভাব আমি ভাল দেখা নাই। এই বিলাকত চৰকাৰে ভাল কৰিলে আমি ভাল পাম।

( Bell )

মই আৰু বেচি কথা নকও। সদায় নো একে বিলাক কথাকে কিমান কৈ থাকিম। গৰ্ভণৰ ভাষণৰ ওপৰতো কৈ আহিছো।

আৰু এটা কথা আমাৰ যিটো Cement factory আছে তাক লৈ আমি গৰ্ব কৰো কিন্তু এই cement factory ৰ নামত ব্যয় যথেষ্ট বেছি কৰা হৈছে। তাৰ কাৰণ হল বোলে Devaluation, Devaluation, হোৱাত বোলে। ১৪ লাখৰ

ঠাইত ১৮ লাখ টকা দিব লাগে। কিন্তু আমাৰ টকা থকা স্বত্বেও দিয়া নাছিল। আগতে মুণ্ডা আছিল। তেওঁৰ খাচি ভাই সকলৰ লগত Share আছিল। (হাঁহি) তেওঁক 420 বুলি লিখিলে (হাঁহি) তেওঁলোকে মানুহ সুমুৱাই ৰাখিলে। তাত ১৮ লাখ টকা ভৰিব লগীয়া হল। এই Fectory ৰ পৰা শুনাত কোনো লাভ হোৱা নাই।

তদুপৰি মই আৰু এটা কথা কওঁ Industrial farm সম্পৰ্ক। 'Industrial Co-operation of India' ক আমাৰ চৰকাৰে কিছুমান টকা ধাৰ দিলে। এইটো Mortgage ললে। তেওঁলোকলৈ এই সংক্ৰান্তত অসম চৰকাৰলৈ চিঠি দিলে তাৰ উত্তৰ পোৱা নাযায়। কিন্তু আমি অলপ খুচি কাটি চাই ফুৰা মানুহতো মই এখন Industrial corporation of India ক চিঠি দি তাৰ উত্তৰ পাইছিলো। এই বিলাক ভালকৈ enquiry কৰিব লাগে। আমি এইবিলাক দেখিবলৈও পাও আৰু শুনিবলৈও পাও। কিন্তু আপোনালোকেহে একো নাজানে।

আমি বিৰুধী পক্ষৰ মানুহ কাৰণে বিৰুধিতা কৰিবলৈ আহিছো। অসমৰ ধন অসমত থাকক, অসমৰ বাইজে পাওক। কিন্তু ইয়াত দেখিছো Capital accomodation ধংস হৈ গৈছে। সেই কাৰণেই ইয়াৰ মানুহ নাইকীয়া হৈ গৈছে। হিমচিংকা থাম মৰচেৰা বিষয়ে কবলৈ নাই। এতিয়া কিছুমান মানুহ আছিছে যাৰ জাতি গুত্ৰ বিচাৰি নাপায়। এই মানুহ বিলাকে ৰঘূমলাই গছ চাতি ধৰাৰ দৰে গোটেই অসমখন চানি পেলাইছে। মই আনৰ কথা নকৈ আমাৰ এই চিলঙৰ কথাকে কওঁ। চিলঙৰ 'পাইন উদ' হোটেলৰ ভাল ভাল বোম বিলাক তেওঁলোকে পাই, ভাল ভাল খাদ্য তেওঁলোকে পায় আমি পাও বেয়াৰ বেয়াটো। তেওঁলোকেই আমাৰ মূলধন চূৰ্ণ কৰিছে। আমাৰ নতুন উদ্যোগ মন্ত্ৰীয়ে নাজানিব আমাৰ বিৰুধী পক্ষই সকলোতে বিৰুধিতা

কৰিব। তেখেতক কিবা সহায় কৰিব লাগিলে আমাৰ বিৰোধী দলে আগবাঢ়ি আহিব।

যে আমাৰ Electricity Board ৰ মায়া ত্যাগ কৰি বিৰুধী পক্ষৰ পৰাও ২/৩ জন মান, বাহিৰৰ পৰা কোনো ডাঙৰ Electrician বা Engineer লগতলৈ অলপ পৰিশ্ৰম কৰিব। ইয়াকে কবলৈ দিয়াৰ কাৰণে উপাধ্যক্ষ মহোদয়, আপোনাক ধন্যবাদ দি মই মোৰ বক্তব্যৰ সামৰণি মাৰিলোঁ।

Shri Bahadur Besumatari : মাননীয় উপাধ্যক্ষ মহোদয়, ১৯৬৯/৭০ চনৰ কাৰণে ৰাজ্যিক বিত্তমন্ত্ৰীয়ে বুজন সংখক টকা ঘাটি বাজেট এই সদনত ডাঙি ধৰিছে তাৰ কাৰণে তেখেতক ধন্যবাদ দিছো। বাজেটখন ঘাটি হোৱাত আমাৰ মনত নিৰাশাৰ ভাৱ সৃষ্টি হৈছে। বিত্তমন্ত্ৰী ডাঙৰীয়াই স্বীকাৰ কৰিছে যে ৰাজ্যৰ আৰ্থিক অৱস্থা সংকটৰ ফালৰ পৰা তেখেতৰ কোনো উপায় নাই বুলি আঙুলীয়াই দিছে। সেই কাৰণে সদনৰ কেবাজনো সদস্যই যিবিলাক কাম বা পৰিকল্পনা আমাৰ চৰকাৰে লৈছে সেই বিলাক পূৰন হবনে নহয় বুলি সন্দেহ প্ৰকাশ কৰিছে।

এই খিনিতে এটা কথা কৈছে যে পঞ্চম বিত্তিয় আয়োগে যিটো য়ম কৰিছে আৰু আমাৰ চৰকাৰে যি আবেদন নিবেদন কৰিছে তাৰ পৰা আমি কিছু পৰিমানে আশা কৰিব পাৰো যে আমাৰ ঘাটিৰ কিছুপৰিমানে পূৰন হব আৰু আঁচনি বিলাক সম্ভৱপৰ হব। মই কেৱল এটা কথা কব ওলাইছো যে আমাৰ দেশখন গণতন্ত্ৰৰ ভিত্তিত স্থাপিত হৈছে আৰু তাৰ বাবে আমি গৌৰৱ কৰো । এই দেশৰ গণতান্ত্ৰিক নাগৰিক হিচাবে স্বাধীনতা পোৱা ২০ বছৰৰ পিছতো আমাৰ ভালেমান ৰাইজে উপলব্ধি কৰিব পৰা নাই। কাৰণ আমাৰ

পিছপৰা বহু অঞ্চলত ৰাইজে শিক্ষাৰ পোহৰ পোৱা নাই। কিয় পোৱা নাই সেই বিষয়ে কব পাৰো যে ভাৰতৰ ভিতৰত আমাৰ অসমখন অৰ্থনৈতিক ফালৰ পৰা হওক বা শিক্ষাৰ ফালৰ পৰা হওক বহুতখিনি পিছপৰা। অসমত এনেকুৱা অঞ্চল আছে এনেকুৱা সম্প্ৰদায় আছে এনেকুৱা জাতি আছে যিবিলাক বহুত বহুত পাছ পৰি আছে।- সেই সেই জাতি নাইবা সেই সেই সম্প্ৰদায় নাইবা পাচ পৰা শ্ৰেণী বিলাকক আগবঢ়া শ্ৰেণীবিলাকৰ লগত সমান ভাৱে আগবঢ়াই নবলৈ যি Special treatment ৰ ব্যৱস্থা আছে সেইমতে কাম নকৰিলে আজি গণতন্ত্ৰৰ নাগৰিক বুলি গৌৰৱ কৰিব নোৱাৰো। শিক্ষা হৈছে এটা জাতিক আগবঢ়াই নিয়াৰ একমাত্ৰ উপায়। অসমত এনেকুৱা বহুতো অঞ্চল আছে য'ত মানুহে শিক্ষাৰ পোহৰ পোৱা নাই। নগৰীয়া অঞ্চলত শিক্ষা বিস্তাৰ হৈছে যদিও গাৱলীয়া অঞ্চলৰ প্ৰত্যেক সমষ্টিয়ে শিক্ষাৰ পোহৰ পোৱা নাই। স্বাধীনতাৰ ২০ বছৰৰ পিচত শিক্ষা পোৱা সকল আগবাঢ়ি আহিব পাৰিছে কিন্তু কথাটো হৈছে যদি ৰাইজে সুস্থ সবল নাগৰিক কৰিব লাগে তেনেহলে পিছপৰা লোক সকলক শিক্ষাৰ পোহৰ দিয়াটো উচিত হব। মই পিচপৰা অঞ্চলৰ নাগৰিক আৰু সেই কাৰণে মই পিছপৰা অঞ্চলৰ বিষয়ে কিছুমান কথা কবলৈ ওলাইছো। Sir, শিক্ষাৰ ক্ষেত্ৰত এনেকুৱা অঞ্চল আছে য'ত আগতে শিক্ষাৰ পোহৰ পৰা নাছিল বিশেষকৈ Tribal অঞ্চলত আগৰে পৰা শিক্ষাৰ বিস্তাৰ হোৱা নাছিল। ১৯৫৪/৫৫ চনত যেতিয়া সেই পিছপৰা অঞ্চল বিলাকৰ সৰু সৰু লৰা ছোৱালী প্ৰত্যেককে স্কুলত দিবৰ কাৰণে বা তেওঁ লোকক স্কুললৈ আহিবৰ কাৰণে বাধ্য কৰিবলৈ Compulsory শিক্ষাৰ ব্যৱস্থা কৰিছিল তেতিয়াও বহুত অভিভাৱকে লৰা-ছোৱালীক স্কুলত দিয়া নাছিল। স্বাধীনতাৰ বহুত পিছত যেতিয়া লৰা-ছোৱালী বিলাকক স্কুলৰ শিক্ষা দিবৰ বাবে অভিভাৱকসকল আগবাঢ়ি আহিল তেতিয়া চৰকাৰে পুঁজি নাই বুলি যথেষ্ট সংখ্যক স্কুল স্থাপন কৰিব নোৱাৰিলে।

শিক্ষা বিভাগে নিয়ম বান্ধি দিছে—যে ৫ বছৰৰ ভিতৰত কলেজ পাতিব নোৱাৰে আৰু ৩ বছৰৰ ভিতৰত High School আৰু M. E. স্কুল পাতিব নোৱাৰে আৰু Tribal ৰ ক্ষেত্ৰত ৬০ জন ছাত্ৰ থাকিব লাগিব আৰু উন্নত অঞ্চলৰ ক্ষেত্ৰত ১০০ জন থাকিব লাগিব। কিন্তু Tribal অঞ্চলৰ ক্ষেত্ৰত সেই নিয়মটো প্ৰযোজ্য কৰা হোৱা নাই। আমাৰ Economical Backwardness দূৰ কৰিবলৈ খুজিলে চৰকাৰে Tribal অঞ্চলত শিক্ষা বিস্তাৰৰ প্ৰতি বিশেষ দৃষ্টি দিব লাগিব।

মই মোৰ সমষ্টিৰ কথা কওঁ—আমাৰ তাত যিবিলাক L. P. স্কুল আছে—অৰ্থৎ অঞ্চলটোত যি কেইখন স্কুল আছে টোভা আৰু টংপাতো যি কেইখন স্কুল আছে তাত আমাৰ Local শিক্ষক ১ Percent তো নাই।

তাৰ পৰা তেওঁলোক ট্ৰান্সফাৰ লৈ নিজৰ ঠাইলৈ আহিবলৈ বাধ্য হয়। কাৰণ অলপীয়া দৰৰ্ম্মহা ঘৰৰ পৰা আতৰত থাকি কটাব নোৱাৰে। এনে অৱস্থা। তাৰ পিচত—কিছুমান স্কুলত ৯০ জন কিছুমান স্কুলত ১০০ জন ছাত্ৰৰ কাৰণে এজন শিক্ষক তেওঁলোকে স্কুল কেনেকৈ চলাব। আকৌ এনে স্কুল আছে য'ত মাষ্টৰ নাই; অথচ সেই স্কুলৰ পৰা লৰাই পৰীক্ষাও দিছে। এনেকৈ আমাৰ স্কুলবিলাক চলিছে। আৰু নিঃসন্দেহে নামত স্কুলৰ প্ৰসাৰ হৈছে—মানদণ্ডৰ ফালে চাবলৈ কোনো নাই —শিক্ষক নাই, পৰিদৰ্শক নাই। তাৰ পিচত আৰু এটা কথা, পিচপৰা অঞ্চল সমূহলৈ শিক্ষক যাব নোখোজে। যদি শিক্ষকৰ অৱস্থাৰ কোনো নিৰাপত্তা নাথাকে তেন্তে অধিক শিক্ষক সেইবিলাক ঠাইলৈ যাব কিয় ?

(সময়ৰ সংকেত)

এই যে দীৰ্ঘদিন ধৰি অধিক আৰু প্ৰয়োজনীয় সংখ্যক শিক্ষক নোলোৱা কৈ স্কুলবিলাক চলি আছে তাৰ ফলত নিম্ন স্তৰৰ লৰা-ছোৱালী বিলাকে প্ৰয়োজনীয় শিক্ষাৰ অৰ্হতা অৰ্জ্জন কৰিব নোৱাৰে

আৰু ওপৰ শ্ৰেণীত এই লৰা-ছোৱালী বিলাকৰ শিক্ষা আহৰণৰ মানদণ্ড কমি য়ায়। এই মৰ্ম্মে মই চৰকাৰৰ দৃষ্টি আকৰ্ষন কৰো যেন এই পিচপৰা অঞ্চল সমূহৰ শিক্ষানুষ্ঠান বিলাকত বিশেষ ভাবে প্ৰশিক্ষন প্ৰাপ্ত শিক্ষা দিয়ে আৰু যাতে শিক্ষাৰ মানদণ্ড বঢ়াব পাৰে তাৰ কাৰণে যত্ন কৰিব লাগে।

তাৰ পিচত ১৯৬৮ চনত অসমৰ খেতি ভাল হৈছে বুলি কৈছে যদিও খেতি প্ৰধানত নিৰ্ভৰ কৰে বতৰৰ ওপৰত আৰু বতৰ অনুকুল হলে খেতি ভাল হয় আৰু প্ৰতিকুল হলে খেতি নহয়। বতৰৰ ওপৰত নিৰ্ভয় কৰাৰ কাৰণে বেয়া খৰাং বতৰৰ কাৰণে মঙ্গলদৈ মহকুমাৰ ৰাহী অঞ্চলসমূহত খেতি ভাল হোৱা নাই। সেই কাৰণে খৰাং বতৰতো পথাৰত পানী যোগানৰ ব্যৱস্থা যাতে অব্যাহত ভাবে চলাই থাকিব পৰা যায় তাৰ যথাযথ ব্যৱস্থা কৰিব লাগিব আৰু তাৰ বাবে নদীৰ পৰা নলাই দি পানী লৈ যোৱাৰ ব্যৱস্থা কৰিব লাগিব আৰু এই ব্যৱস্থা বিলাকৰ উন্নতি সাধন কৰিব লাগিব। ভূটান পাহাৰৰ পৰা ওলাই অহা নদী বিলাকৰ পৰা পানী বিদ্যুত শক্তিৰ সহায়ত 'পাম্প' কৰি পথাৰত যোগান ধৰিব পাৰিলে আমাৰ খেতি ভাল হব আৰু উৎপাদন বৃদ্ধি হব।

(সময়ৰ সংকেট)

দুখৰ বিষয় উপাধ্যক্ষ মহোদয়, যোৱা চাৰি বছৰে ৰৌটাৰ পৰা গুৱাহাটীলৈ চলা চৰকাৰী বাচখন নি ঢেকীয়াজুলীৰ পৰা চলোৱা কৰাত আমাৰ ৰাইজৰ অসুবিধাৰ সৃষ্টি হৈছে। চৰকাৰৰ অৰ্থাৎ পৰিবহন বিভাগৰ ৰাজ্যিক মন্ত্ৰীক এই অভিযোগ দিয়া সত্বেও তেখেতে নানা ৰকমে 'বাচ দিয়া হব,' আকৌ 'টকা নাই' আদি কথা ৰাইজক কৈ আছে। যদি আস্বাস দি কথা ৰাখিব নোৱাৰে তেন্তে মিনিষ্টাৰৰ কাৰণে এইটো বৰ পৰিতাপৰ কথা আৰু যদি এইদৰে বিভিন্ন বিভাগত কাম চলে তেন্তে এই ঘাটি বাজেটৰ ভিতৰত যিবিলাক আঁচনি আছে সেইবিলাক যে ফলবতী হব তাক কেনেকৈ আশা কৰিব পাৰি?

সেইকাৰণে মই চৰকাৰৰ দৃষ্টি আৰ্কষন কৰো যেন যিবিলাক আঁচনি লোৱা হৈছে সেইবিলাক যেন ভালকৈ কাৰ্য্যকৰী কৰা হয়—তাৰ কাৰণে বিশেষ যত্ন লব। ইয়াকে কৈ মোৰ বক্তব্য সামৰিলো।

*Dr. Bhumidhar Barman: মাননীয় উপাধ্যক্ষ মহোদয়, বিত্তমন্ত্ৰী মহোদয়ে এই সদনত যিখন বাজেট দাঙি ধৰিছে, এই বাজেটত ১৯৬৯/৭০ চনৰ জমা খৰছৰ হিচাব আমাক দিছে। যোৱা বছৰত আমাৰ দেশত যিটো বিভিষিকাৰ সৃষ্টি হৈছিল সেই কাৰণেই আমাৰ দেশত বহুত বোৰ অশান্তি হৈছিল আৰু সেইবোৰ কাৰণতেই আমাৰ বাজেটত ঘাটি পৰিবলগীয়া হৈছে। আমি তেখেতৰ যুক্তিত পতিয়ন গৈছো। অৱশ্যে আমি এই বিষয়তে তেখেতক ধন্যবাদ দিছো যে তেখেতে সদনত ঘাটি বাজেট দাখিল কৰা স্বত্বেও ৰাইজৰ ওপৰত কোনো নতুন কৰ কাটল লগোৱাৰ ব্যৱস্থা কৰা নাই। আমি আশা ৰাখিছো যে তেখেতে আশা কৰা মতে কেন্দ্ৰীয় সাহায্য আৰু বিত্তিয় আয়োগৰ সাহাৰ্য্য পাব।

এই বাজেট সদনত দাঙি ধৰা দিনাৰে পৰা বহুত মাননীয় সদস্যই বাজেট সম্পৰ্কে আলোচনা কৰি বহুখিনি কথা কৈছে। ময়ো এই বিষয়ত দুআষাৰ মান কথা আঙুলীয়াব খুজিছো, তাৰ উত্তৰ পোৱাৰ আশাৰে।

প্ৰথমতে মই পৰিবহন বিভাগৰ কথা কব খুজিছো, এই বিষয়টো আমাৰ ৰাইজৰ লগত ওতঃপ্ৰতঃ ভাবে সম্বন্ধ। আৰু আমি ইফালে সিফালে যাবলৈ হলে আমি এই বিষয়টোৰ সংক্ৰান্ত তেই আছো।

মই পৰিবহন বিভাগটোৰ বিষয় অলপ কথা কব খুজিছো।

*Speech not corrected

কাৰণ এই বিভাগটোৰ লগত জনসাধাৰণ বাকুকৈয়ে জড়িত আছে। আমাৰ যিবিলাক চৰকাৰী বাছ আছে বিভিন্ন পথত সেই বাছৰ সংখ্যা ক্ৰমান্বয়ে বাঢ়িছে। এই ধৰণৰ বাছৰ সংখ্যা যাত্ৰীৰ প্ৰায়োজন অনুপাতে বঢ়াই জনসাধাৰণৰ অহা-যোৱা ব্যৱস্থাৰ সুবিধা কৰি দিবলৈ মই চৰকাৰক অনুৰোধ জনাওঁ। বৰ্ত্তমান Assembly Session ৰ সময়ত গাওঁৰপৰা বহুতো মানুহ Session চাবলৈ খিলঙলৈ আহি তেওঁলোকে বাছৰ অভাৱত যাতে কষ্ট ভোগ কৰিব নালাগে তাৰ বাবে এই সময়ছোৱাৰ কাৰণে বিশেষ বাছ কিছুমানৰ ব্যৱস্থা কৰিবলৈ মই চৰকাৰক অনুৰোধ জনাওঁ। কাৰণ গুৱাহাটী Bus Station ত ইমান ভীৰ যে তাত টিকেট পোৱা অসম্ভৱ হৈ উঠে। ফলত বহুত যাত্ৰীয়ে কষ্ট ভোগ কৰে। এই বিলাকত বাছৰ সংখ্যা বঢ়াই দিলে চৰকাৰৰো আয় বাঢ়িব আৰু যাত্ৰীৰো সুবিধা হব।

আমাৰ ৰাস্তা-পথ বিলাক অৱহেলিত হৈ পৰি আছে। সেই বিলাক ৰাষ্ট্ৰীয়কৰণ কৰিব লাগে। কামৰূপ জিলাৰ দুটা ৰাস্তা- এই ৰাস্তাত Private বাছ বহুত আছে যদিও যাত্ৰীৰ ভীৰ কমা নাই। তাত ৰোগী তিৰোতা বা লৰা-ছোৱালী অহা যোৱা কৰা কেনে কঠিন তাক দেখিলে সকলোৱে বুজিব। এই ৰাস্তা দুটাৰ বৰপেটা - সৰ্থেবাৰী—নলবাৰী—হাজো—গুৱাহাটীলৈ। আনটো বৰপেটা --হাজো—দৌলাশাল—গুৱাহাটীলৈ, এই ৰাস্তা দুটা ৰাষ্টীয়কৰণ কৰিবলৈ চৰকাৰী পৰিবহন বিভাগে উপযুক্ত ব্যৱস্থা ললেহে যাত্ৰীৰ অহা যোৱাৰ কৰাৰ সুবিধা হয়। তাৰোপৰি গড়কাপ্তানী বিভাগৰ দ্বাৰা কৰা ৰাস্তা বিলাকো উন্নত হোৱা নাই। সেই বিলাকত বাছ চলাচল কৰিব নোৱাৰে। এই ৰাস্তা বিলাক আমি M. L. A: সকলে অনুৰোধ কৰা স্বত্বেও উন্নত নকৰাৰ কাৰণ কি বুজি নাপাওঁ। মই এই বিভাগৰ মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিলো যাতে এই ৰাস্তা বিলাকত Private Bus চলাচল কৰাৰ সুবিধা কৰি দিয়ে। যদি

এইটো কৰিব নোৱাৰে তেন্তে বুজা হব যে বিভাগীয় মন্ত্ৰী মহোদয়ৰ হাতত এই বিষয়ে ক্ষমতা নাই।

আৰো S. T. A. Board যিখন আছে তাৰ Chairman আগতে মন্ত্ৰী আছিল। এতিয়াও কোনো এগৰাকী মন্ত্ৰীক Chairman পাতিলেহে কামত আগুৱাই যাব পাৰিব। কাৰণ Chairman জন মন্ত্ৰীৰ ভিতৰতে এগৰাকী নহলে ৰাইজৰ দাবী পূৰণ কৰাত বহুত খিনি বাধা পৰে।

ইয়াৰ পিচত মই স্বাস্থ্য কথাকে দুআষাৰ মান কওঁ। আমাৰ বহু কেইগৰাকী মাননীয় সদস্যই এই বিষয়ে কৈ গৈছে। বাতৰি কাকতেও এই বিষয়ে বহু কথা কৈ থাকে। আমাৰ জনসংখ্যা যদি কমাব নোৱাৰে তেন্তে এনে এটা দিন আহিব তেতিয়া মানুহে মানুহক খাব। গতিকে এই family planning Programme খন যাতে পুৰাদমে কাৰ্য্যকৰী কৰিব পাৰে—তাৰ বাবে বিভাগীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিলো—কিন্তু আমি প্ৰয়োজনীয় ক্ষেত্ৰত যিটো দেখিছো যে এই বিষয়ক Programme ৰ কথা বাতৰি কাকতে কয়, চৰকাৰে যিমানখিনি কয়, Radio ও যিমান খিনি কয় আচলতে সিমান খিনি হোৱা নাই। এইটোৰ অতি সোনকালে কাম আৰম্ভ কৰিব লাগে। কাৰণ গাওঁৰ মানুহ বিলাক বৰ অশিক্ষিত আৰু দুখীয়া। এই দুখীয়া মানুহবোৰৰ ১০/১২টা যদি লৰা-ছোৱালী হয় তেন্তে সাধাৰণ আয়ৰ এই দুখীয়া মানুহবোৰে কেনেকৈ এই লৰা-ছোৱালীবোৰক ডাঙৰ কৰিব। এই গাওঁ অঞ্চলত কিছুমান অভিজ্ঞ ডাক্তৰ, নাৰ্চ অন্ততঃ কিছুদিনৰ কাৰণে হলেও Staff হিচাবে ৰাখি গাওঁত operation ৰ কাম কৰিব লাগে। আটাতকৈ ভাল ব্যৱস্থা হৈছে পুৰুষৰ কাৰণে কৰা।

এই ব্যৱস্থাত কোনো দিগদাৰী নহয়। এই ব্যৱস্থাতো যাতে সোনকালে কৰে তাৰ কাৰণে মই বিভাগীয় মন্ত্ৰী মহোদয়ক

অনুৰোধ কৰিলো। সেই কাৰণে চহৰত দিয়া গুৰুত্বৰ নিছিনা গাওঁ বিলাকতো অধিক গুৰুত্ব দিব লাগে। কাৰণ চহৰতকৈ গাওঁত মানুহ বেছি থাকে। মই বেছি কথা নকওঁ এই বিষয়ত চৰকাৰে যাতে সোণকালে কাম আৰম্ভ কৰে তাকে কৈ মোৰ বক্তৃতাৰ সামৰণি মাৰিলো।

*Shri Bhubaneswar Barman : মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় বিত্তমন্ত্রী মহোদয়ে যি ঘাটি বাজেট, এই সন্মানিত সদনৰ ভিতৰত উত্থাপন কৰিছে, সেই বাজেট খন পঢ়ি চাই বিস্মিত নহৈ নোৱাৰিলো। কিন্তু তাতোতকৈ বেছি আচৰিত হৈছোঁ যে এই ঘাটি বাজেট খনৰ ওপৰিও কৰ্ম্মৰ প্ৰতি মানুহৰ যি উৎসাহ-উদ্দীপনা বা জীয়াই থকাৰ যিটো শুভ লক্ষণ, সেই লক্ষণৰ ইঙ্গিতো ইয়াত দিয়া নাই আৰু এই সমাজবাদী সমাজ ব্যৱস্থাত, ধনী আৰু গৰীব জনসাধাৰণৰ মাজত যিটো ব্যৱধান চলি আছে, সেই ব্যৱধান দূৰ কৰিবলৈ চেষ্টা কৰাৰ প্ৰযত্নতা ইয়াত দেখিবলৈ পোৱা নাই। তাৰোপৰি দুখীয়া, নিঃকিন জনসাধাৰণৰ যি দুঃখ—দুৰ্দ্দশা, সেই দুঃখ - দৈনতা মোচন কৰি অৰ্থনৈতিক মিতব্যয়ীতা অবলম্বন কৰাৰ যি প্ৰচেষ্টা সেই প্ৰচেষ্টাৰ কোনো উল্লেখ নাই আৰু তেনে আচনিৰ কথাও ইয়াত উল্লেখ কৰা নাই।

উপাধ্যক্ষ মহোদয়, এই বাজেট খন পাঠ কৰাৰ লগে লগে চকুত পৰিছে যে, এই ৰাজ্যখনৰ তিনি বছৰৰ আগতে যিটো ঘাটি হৈছিল, সেই ঘাটি এতিয়ালৈকে পূৰণ কৰিব পৰা নাই আৰু পূৰণ কৰিবৰ কাৰণেও অকনো চেষ্টা কৰা নাই। ইয়াৰ ওপৰিও বিভিন্ন কামত পৰাপক্ষত যিবিলাকত অপচয় হৈছে সেই অপচয় বিলাক বিবেচনা কৰি, তেনে এটি গঠনমূলক ব্যৱস্থা অৱলম্বন কৰা দেখা নাই।

---

*Speech not corrected

আজি অসম পুনগঠন সম্বন্ধে যিটো প্রস্তাৱ আহিছে সেই প্ৰস্তাৱটোৱে অসম আৰু মেঘালয়ৰ মাজত এটা বিৰাট ব্যৱধান সৃষ্টি কৰিছে, যাৰ ফলত সম্প্ৰীতি বা সদ্ভাব ৰক্ষা কৰাটো অসম্ভৱ হৈ পৰিছে। আজি আমাৰ ৰাজ্যৰ ৰাজধানী শ্বিলঙত থকাত যি পৰিমাণে টকা খৰচ হৈছে সেইখিনি ৰাহি কৰিবৰ অৰ্থে ৰাজধানী স্থনান্তৰিত নকৰাতো বৰ দুখৰ কথা।

( House Adjourned )

## ADJOURNMENT

The Assembly then adjourned till 9 A. M. on Friday, the 14th March 1969.

U. Tahbildar,
Secretary,
Legislative Assembly, Assam

Shillong
The 13th March 1969